# অনুবন্ধ - 4

## *SEBI আৰু ষ্টক এক্সচেঞ্জৰ দ্বাৰা বিহিত ব্যৱস্থা অনুসৰি ষ্টক ব্ৰ'কাৰ,* চাব ব্ৰ'কাৰ আৰু ক্লায়েন্টৰ অধিকাৰ তথা দায়িত্বসমূহ

1. গ্ৰাহকে সেই প্ৰতিভূতিসমূহত/চুক্তি/অন্য মাধ্যমত বিনিয়োগ/লেনদেন কৰিব যিবোৰ সময়ে সময়ে ইচ্ছা কৰা এক্সচেঞ্জৰ নিয়ম, উপবিধি তথা বিনিয়ম/প্ৰতিভূতি আৰু এক্সচেঞ্জ ব'ৰ্ড অৱ ইণ্ডিয়া (SEBI) তথা চাৰ্কুলাৰ/জাননীৰ অধীনত এক্সচেঞ্জত লেনদেনৰ বাবে ভৰ্তি কৰোৱা হৈছে।

2. এক্সচেঞ্জৰ নিয়ম, উপবিধি তথা বিনিয়ম আৰু ইয়াৰ অধীনত জাৰি কৰা চাৰ্কুলাৰ/জাননী আৰু SEBI-ৰ বিনিয়মসমূহ তথা চৰকাৰী কৰ্তৃপক্ষৰ সংলগ্ন অধিসূচনা যিবোৰ সময়ে সময়ে কাৰ্যকৰী হয়, ষ্টক ব্ৰ'কাৰ, চাব ব্ৰ'কাৰ আৰু গ্ৰাহকে এইসমূহ মানি চলাটো বাধ্যতামূলক।

3. ষ্টক ব্ৰ'কাৰৰ প্ৰতিভূতিসমূহ আৰু/বা ডিৰাইভেটিভ কনট্ৰেক্ট লেনদেন কৰা সামৰ্থত আৰু ষ্টক ব্ৰ'কাৰৰ জৰিয়তে অৰ্ডাৰসমূহ কাৰ্যকৰী কৰাৰ মনোকামনাত গ্ৰাহকে নিজকে সন্তুষ্ট কৰিব আৰু গ্ৰাহকে সময়ে সময়ে ষ্টক ব্ৰ'কাৰৰ জৰিয়তে অৰ্ডাৰসমূহ কাৰ্যকৰী কৰাৰ পূৰ্বে নিজকে ষ্টক ব্ৰ'কাৰৰ এই সামৰ্থত নিজকে একেৰাহে সন্তুষ্ট কৰিব।

4. গ্ৰাহকৰ বিশ্বাসযোগ্যতা তথা আৰ্থিক সবলতা আৰু প্ৰদান কৰিবলগীয়া সেৱাৰ সৈতে সম্পৰ্কীয় লেনদেনৰ লক্ষ্য সন্দৰ্ভত ষ্টক ব্ৰ'কাৰে নিজকে একেৰাহে সন্তুষ্ট কৰিব।

5. সীমাৱদ্ধতা, দায়িত্ব আৰু ষ্টক ব্ৰ'কাৰে কাৰ্য কৰা সামৰ্থকে অন্তৰ্ভুক্ত কৰি ষ্টক ব্ৰ'কাৰৰ কৰিবলগীয়া ব্যৱসায়ৰ প্ৰতি দায়িত্বৰ সঠিক প্ৰকৃতি গ্ৰাহকক অৱগত কৰাৰ বাবে ষ্টক ব্ৰ'কাৰে পদক্ষেপ ল'ব।

6. গ্ৰাহকৰ লগত সকলো লেনদেনত ষ্টক ব্ৰ'কাৰক চাব ব্ৰ'কাৰে আৱশ্যকীয় সহযোগিতা প্ৰদান কৰিব।

### গ্ৰাহকৰ জাননী

7. সময়ে সময়ে ষ্টক এক্সচেঞ্জ/SEBIয়ে বাধ্যতামূলক কৰি দিয়া অনুসৰি গ্ৰাহকে সমৰ্থন কৰা নথিপত্ৰ সহ ''একাউন্ট খোলা প্ৰ-পত্ৰ''ৰ বাবে ষ্টক ব্ৰ'কাৰৰ আৱশ্যকতা অনুসৰি সকলো সবিশেষ সম্পূৰ্ণভাৱে প্ৰদান কৰিব।

8. একাউন্ট খোলা নথিপত্ৰৰ বাধ্যতামূলক ব্যৱস্থাসমূহ গ্ৰাহকে জনা উচিত। গ্ৰাহকে গ্ৰহণ কৰা নিয়ম তথা চৰ্ত অনুসৰি ষ্টক ব্ৰ'কাৰে নিৰ্দিষ্ট কৰা যিকোনো অতিৰিক্ত দফা বা নথিপত্ৰ বাধ্যতামূলক নহ'ব।

9. একাউন্ট খোলাৰ সময়ত বা তাৰ পিছত প্ৰদান কৰা ''একাউন্ট খোলা প্ৰ-পত্ৰ''ৰ জাননীত কোনো ধৰণৰ সলনি থাকিলে গ্ৰাহকে ষ্টক ব্ৰ'কাৰক ততালিকে লিখিতভাৱে জনাব যে এনে জাননীকে অন্তৰ্ভুক্ত কৰি যি দৰ্খাস্তৰ অন্ত পেলোৱা/দেউলীয়া হোৱা দৰ্খাস্ত বা অন্য কোনো মোকৰ্দমা যি তেওঁৰ সামৰ্থত প্ৰভাৱ পেলাব পাৰে। সাময়িক ভিত্তিত ষ্টক ব্ৰ'কাৰক আৰ্থিক জাননী প্ৰদান কৰিব।

10. একাউণ্ট খোলা প্ৰ-পত্ৰত উল্লেখ কৰা অনুসৰি গ্ৰাহকৰ সৱিশেষ বা গ্ৰাহকৰ বিষয়ে যিকোনো অন্য জাননী গোপনীয়তাৰে ষ্টক ব্ৰ'কাৰ আৰু চাব ব্ৰ'কাৰে পৰিপালন কৰিব আৰু তেওঁলোকে এইবোৰ কোনো ব্যক্তি/কৰ্তৃপক্ষৰ আগত ফাদিল কৰিব নোৱাৰিব যদিহে আইন/নিয়ামক আৱশ্যকতাৰ অধীনত আৱশ্যক হয় আৰু যদিহে গ্ৰাহকৰ অনুমতিক্ৰমে ষ্টক ব্ৰ'কাৰে তেওঁৰ ক্লায়েণ্টৰ জাননী অন্য কোনো ব্যক্তি বা কৰ্তৃপক্ষৰ আগত ফাদিল কৰে।

## মাৰ্জিন (উপান্ত)

11. গ্ৰাহকে প্ৰযোজ্য প্ৰাৰম্ভিক মাৰ্জিন, উইথহ'ল্ডিং মাৰ্জিন, বিশেষ মাৰ্জিন বা এনে অন্য মাৰ্জিন আদায় দিব যিবোৰ ষ্টক ব্ৰ'কাৰে বা এক্সচেঞ্জ আৱশ্যকীয় বুলি বিবেচনা কৰে বা সময়ে সময়ে SEBIয়ে আদেশ দিয়ে যে গ্ৰাহকে লেনদেন কৰা শাখাসমূহত প্ৰযোজ্য হয়। নিজৰ তথা সম্পূৰ্ণ বিবেচনাত ষ্টক ব্ৰ'কাৰক অতিৰিক্ত মাৰ্জিন (উপান্ত) সংগ্ৰহ কৰাত অনুমতি দিয়া হয় (যদিও এক্সচেঞ্জ, ক্লিয়েৰিং হাউচ/ক্লিয়েৰিং ক'ৰ্পৰেছন বা SEBI-ৰ দ্বাৰা আৱশ্যক নহয়) আৰু নিৰ্ধাৰিত সময়ত এনে মাৰ্জিন আদায় দিবলৈ গ্ৰাহক বাধ্য হ'ব।

12. গ্ৰাহকে এই কথা বুজি পায় যে তেওঁলোকে আদায় দিয়া মাৰ্জিনে সকলো বকেয়াৰ সম্পূৰ্ণ সন্তুষ্টি নুবুজায়। অবিৰত মাৰ্জিন আদায় দি থকা স্বত্বেও গ্ৰাহকে তেওঁৰ লেনদেন বন্দোৱস্তিৰ সময়ত এনে পৰিমাণৰ টকা চুক্তিয়ে কোৱা আৱশ্যকীয় বুলি বিবেচনা কৰা মতে আদায় দিব (বা পাব পাৰে) লগীয়া হ'ব পাৰে।

## লেনদেন আৰু বন্দোৱস্তিসমূহ

13. গ্ৰাহকে প্ৰতিভূতি/ডিৰাভেটিভ কনট্ৰেক্ট ক্ৰয় আৰু বিক্ৰী কৰাৰ হেতুকে লিখিতভাৱে বা এনেভাৱে যেনেকৈ ষ্টক ব্ৰ'কাৰৰ সৈতে গ্ৰাহকে একত্ৰিতভাৱে সন্মত হৈছে, তেনেদৰে কোনো অৰ্ডাৰ দিব পাৰে। ষ্টক ব্ৰ'কাৰে কেৱল গ্ৰাহকক দিয়া ইউনিক ক্লায়েণ্ট ক'ডত গ্ৰাহকৰ ট্ৰেড অৰ্ডাৰ দি কাৰ্যকৰী কৰাটো নিশ্চিত কৰিব।

14. ষ্টক ব্ৰ'কাৰে গ্ৰাহকক জাননী দিব তথা সময়ে সময়ে লেনদেন/বন্দোৱস্তি দিয়া/আদায়ৰ তালিকা, ইয়াৰ ভিতৰৰ সলনিসমূহৰ বিষয়ে জনাই থাকিব আৰু গ্ৰাহকৰ ক্ষেত্ৰত লেনদেন কাৰ্যকৰী কৰা সংলগ্ন ষ্টক এক্সচেঞ্জৰ তালিকা/প্ৰক্ৰিয়াসমূহ মানি চলাটো দায়িত্ব হ'ব।

15. ষ্টক ব্ৰ'কাৰে এইটো নিশ্চিত কৰিব যে গ্ৰাহকে জমা দিয়া ধন/প্ৰতিভূতি এটা পৃথক একাউণ্টত ৰখা হ'ব, যিটো তেওঁৰ/ইয়াৰ নিজৰ একাউণ্টতকৈ বা অন্য গ্ৰাহকৰ একাউণ্টতকৈ বেলেগ হ'ব আৰু ষ্টক ব্ৰ'কাৰে ইয়াক তেওঁৰ/নিজৰ বাবে বা যিকোনো গ্ৰাহকৰ বাবে বা যিকোনো অন্য উদ্দেশ্যেৰে ব্যৱহাৰ কৰিব নোৱাৰিব, কেৱল SEBI-ৰ নিয়ম, বিনিয়ম, চাৰ্কুলাৰ, জাননী, মাৰ্গদৰ্শিকা আৰু/বা এক্সচেঞ্জৰ নিয়ম, বিনিয়ম, উপবিধি, চাৰ্কুলাৰ আৰু জাননীয়ে নিৰ্দিষ্ট কৰা উদ্দেশ্যৰ বাহিৰে।

16. যেতিয়া এক্সচেঞ্জে ট্ৰেড চুঅ' ম'ট' বাতিল কৰে সকলো এনেধৰণৰ লেনদেন য'ত অন্তৰ্ভুক্ত থাকে ক্লায়েন্টৰ হৈ কৰা ট্ৰেড, এইবোৰো ইপ্সো ফেক্টো বাতিল হ'ব, ষ্টক ব্ৰ'কাৰে গ্ৰাহকৰ সৈতে কৰা নিজ নিজ কনট্ৰেক্টসমূহো বাতিল হ'ব।

17. এক্সচেঞ্জত কৰা লেনদেনসমূহ নিয়ম, উপবিধি আৰু বিনিয়মসমূহৰ তথা চাৰ্কুলাৰ/জাননীন অধীন যিবোৰ এক্সচেঞ্জত জাৰি কৰা হয় য'ত লেনদেন কাৰ্যকৰী কৰা হয়। এনে ট্ৰেড কৰা সকলো পাৰ্টিয়ে এক্সচেঞ্জৰ উপবিধি তথা বিনিময়ৰ দ্বাৰা নিৰ্দিষ্ট কৰা এনে ন্যায়ালয়ৰ এক্তিয়াৰত জমা দিব য'ত লেনদেন কাৰ্যকৰী কৰা হয় এই বাবে যে এক্সচেঞ্জৰ নিয়ম, উপবিধি তথা বিনিয়মসমূহৰ ব্যৱস্থাসমূহ তথা ইয়াৰ অধীনৰ চাৰ্কুলাৰ/জাননীসমূহ কাৰ্যকৰী হয়।

## ব্ৰ'কাৰেজ

18. গ্ৰাহকে ষ্টক ব্ৰ'কাৰক ব্ৰ'কাৰেজ দিয়া আৰু পৰিনিয়ত কৰ আদায় দিয়া উচিত যেনেকৈয়ে এই সময়ে সময়ে প্ৰচলন হয় আৰু যিদৰে এইবোৰ গ্ৰাহকৰ একাউন্ট, লেনদেন গ্ৰাহকক ষ্টক ব্ৰ'কাৰে প্ৰদান কৰা সেৱাৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। সংলগ্ন ষ্টক এক্সচেঞ্জৰ নিয়ম, বিনিয়ম আৰু উপবিধি আৰু/বা SEBI-ৰ নিয়ম আৰু বিনিয়ম অনুসৰি অনুমতিক্ৰমে ষ্টক ব্ৰ'কাৰে উচ্চতম ব্ৰ'কাৰেজৰ অতিৰিক্ত ব্ৰ'কাৰেজ ল'ব নোৱাৰিব।

## স্থিতিৰ লিকুইডেশ্বন আৰু বন্ধ কৰা

19. ষ্টক ব্ৰ'কাৰৰ অন্য অধিকাৰসমূহৰ (এটা কথা মধ্যস্থতাকৰণৰ বাবে দিয়া অধিকাৰকো অন্তৰ্ভুক্ত কৰি) পক্ষপাতমূলক ধাৰণা নলৈ, গ্ৰাহকে বুজি পাব যে মাৰ্জিন বা অন্য বকেয়া পৰিমাণ আদায় নিদিয়াৰ বাবে গ্ৰাহকৰ সকলো বা যিকোনো স্থিতি লিকুইডেট/বন্ধ কৰাৰ অধিকাৰ ব্ৰ'কাৰৰ আছে তথা এনে লিকুইডেশ্বন/বন্ধৰ পৰা ওলোৱাখিনি যদি আছে গ্ৰাহকৰ দায়িত্ব/কৰ্তব্যত মিলাই দিব। এনে লিকুইডেশ্বন/বন্ধৰ বাবে হোৱা সকলো আৰ্থিক মূল্য বা লোকচান গ্ৰাহকে বহন কৰিব।

20. গ্ৰাহকৰ মৃত্যু বা দেউলীয়া হোৱা বা তেওঁ গ্ৰহণ কৰা বা আদায় দিব নোৱাৰা হোৱা বা প্ৰতিভূতি প্ৰদান অথবা স্থানান্তৰ কৰিব নোৱাৰা, যিটো গ্ৰাহকে ক্ৰয় বা বিক্ৰী কৰাৰ অৰ্ডাৰ দিছে, তেনেক্ষেত্ৰত ষ্টক ব্ৰ'কাৰে গ্ৰাহকৰ এষ্টেটৰ (সম্পত্তি) লেনদেন বন্ধ কৰি লোকচানৰ বাবে দাবী কৰিব পাৰে, যদি আছে। ইয়াৰ পৰা ওলোৱা অতিৰিক্তখিনিৰ ওপৰত গ্ৰাহক বা তেওঁৰ/ইয়াৰ মনোনীত ব্যক্তি, উত্তৰাধিকাৰী আৰু স্বত্ব নিয়োগীৰ অধিকাৰ থাকিব। গ্ৰাহকে এই কথা মনত ৰাখিব লাগিব যে মনোনীত ব্যক্তিৰ নামত পুঁজি/প্ৰতিভূতি স্থানান্তৰ কৰাটো আইনগত উত্তৰাধিকাৰীৰ বাবে ষ্টক ব্ৰ'কাৰৰ দ্বাৰা বৈধতা দেয় হ'ব।

21. গ্ৰাহকৰ ক্ষেত্ৰত আদায়/প্ৰদান কৰাত বিফল হোৱা বিষয়ে ষ্টক ব্ৰ'কাৰে প্ৰাসংগিক এক্সচেঞ্জক অৱগত কৰিব। যদি গ্ৰাহক এক্স কৰ্প'ৰেট এনটিটি/মালিকানাস্বত্ব প্ৰতিষ্ঠান বা যিকোনো কৃত্ৰিম আইন ফাৰ্ম হয়, তেন্তে সঞ্চালক, প্ৰম'টাৰ, সহযোগীৰ নাম যিদৰেই প্ৰয়োজ্য হয়, ষ্টক ব্ৰ'কাৰে প্ৰাসংগিক এক্সচেঞ্জক জানিবলৈ দিব।

## বিবাদৰ মীমাংসা

22. ষ্টক ব্ৰ'কাৰে গ্ৰাহকক সংশ্লিষ্ট এক্সচেঞ্জ তথা SEBI-ৰ যোগাযোগ সবিশেষ প্ৰদান কৰিব।

23. ষ্টক ব্ৰ'কাৰৰ জৰিয়তে কৰা সকলো লেনদেনৰ সন্দৰ্ভত আৰু বেয়া শ্বেয়াৰৰ ডেলিভাৰী আঁতৰোৱা, বেয়া ডেলিভাৰী সঠিক কৰা, ইত্যাদি গোচৰৰ মীমাংসা কৰাত ষ্টক ব্ৰ'কাৰে গ্ৰাহকৰ সৈতে সহযোগ কৰিব।

24. ডিপ'জিট, মাৰ্জিন ধন ইত্যাদিৰ ক্ষেত্ৰত যিকোনো দাবী আৰু/বা বিবাদ গ্ৰাহক তথা ষ্টক ব্ৰ'কাৰে এক্সচেঞ্জৰ নিয়ম, উপবিধি আৰু বিনিয়ম অনুসৰি মধ্যস্থতাৰ বাবে জনাব, যি এক্সচেঞ্জত সময়ে সময়ে চাৰ্কুলাৰ/জাননী জাৰি কৰা হয়।

25. ষ্টক ব্ৰ'কাৰে তেওঁৰ আৰু গ্ৰাহকৰ মাজত হোৱা লেনদেনৰ পৰা ওলোৱা বিবাদৰ মীমাংসা শীঘ্ৰে হোৱাটো নিশ্চিত কৰিব আৰু এনে প্ৰক্ৰিয়াৰ পৰা ওলোৱা মীমাংসাৰ লাভ ষ্টক ব্ৰ'কাৰে কাৰ্যকৰী কৰিব।

26. গ্ৰাহকে/ষ্টক ব্ৰ'কাৰে বুজি পায় যে বিবাদ মীমাংসাৰ বাবে এজন প্ৰাধিকৃত প্ৰতিনিধিয়ে জাৰি কৰা নিৰ্দেশসমূহ, যদি আছে, গ্ৰাহক/ষ্টক ব্ৰ'কাৰৰ দায়িত্ব থাকিব যিটো উল্লিখিত প্ৰতিনিধি পত্ৰৰ মতে হ'ব যিখন গ্ৰাহক/ষ্টক ব্ৰ'কাৰৰ হৈ লেনদেন কৰাৰ অনুমতি দিয়ে।

## সম্বন্ধৰ সমাপ্তি ঘটোৱা

27. ষ্টক ব্ৰ'কাৰ আৰু গ্ৰাহকৰ মাজৰ এই সম্বন্ধৰ সমাপ্তি ঘটোৱা হ'ব। যদি ষ্টক ব্ৰ'কাৰে কোনো কাৰণত ষ্টক এক্সচেঞ্জৰ সদস্য হোৱা বন্ধ হয় যাৰ কাৰণ এইবোৰকে অন্তৰ্ভুক্ত কৰি যেনে ষ্টক ব্ৰ'কাৰৰ দোষ, মৃত্যু, ইস্তফা বা বহিষ্কৰণ বা ব'ৰ্ডৰ দ্বাৰা প্ৰমাণপত্ৰ বাতিল কৰা হয়।

28. ষ্টক ব্ৰ'কাৰ, চাব ব্ৰ'কাৰ আৰু গ্ৰাহকে অন্য দলক কোনো কাৰণ নেদেখুৱাকৈ তেওঁলোকৰ মাজৰ সম্বন্ধৰ অন্ত পেলাব পাৰে, অন্য দলসমূহক লিখিতভাৱে অতি কমেও এমাহৰ জাননী দিয়াৰ পিছত। এনে কোনো অন্ত স্বত্বেও সকলো দলৰ সকলো অধিকাৰ, দায়িত্ব আৰু কৰ্তব্য যিবোৰ এই সম্বন্ধৰ অন্ত পেলোৱাৰ পূৰ্বে ধাৰ্য কৰা হৈছিল তথা ইয়াৰ পৰা উৎপন্ন হয়, এইবোৰৰ কাৰ্যকৰিতা বাহাল থাকিব আৰু নিজ নিজ পাৰ্টিসমূহৰ বা তেওঁৰ/ইয়াৰ নিজ নিজ উত্তৰাধিকাৰী, কাৰ্যনিৰ্বাহক, প্ৰশাসক, আইনগত প্ৰতিনিধি বা উত্তৰাধিকাৰী, যেনেকৈয়ে প্ৰয়োজ্য হয়, তেওঁলোকৰ ওপৰত ই বাধ্যতামূলক হ'ব।

29. চাব-ব্ৰ'কাৰৰ মৃত্যু/দেউলীয়া হোৱাৰ ক্ষেত্ৰত বা ব'ৰ্ডত তেওঁৰ পঞ্জীয়ন বাতিল হ'লে অথবা চাব ব্ৰ'কাৰৰ স্বীকৃতি ঘূৰাই ল'লে আৰু/বা ষ্টক ব্ৰ'কাৰৰ সৈতে চাব ব্ৰ'কাৰৰ সন্মতিৰ অন্ত পৰিলে, যিকোনো কাৰণবশতঃ গ্ৰাহকক এনে অন্ত পৰাৰ বিষয়ে অৱগত কৰোৱা হ'ব আৰু গ্ৰাহকক ষ্টক ব্ৰ'কাৰৰ পোনপটীয়া গ্ৰাহক বুলি গণ্য কৰা হ'ব তথা ষ্টক ব্ৰ'কাৰ, চাব ব্ৰ'কাৰ আৰু গ্ৰাহকক পৰিচালিত কৰা ''অধিকাৰ আৰু দায়িত্ব''ৰ সকলো দফা তেনেকৈয়ে চলি থাকিব, যদিহে গ্ৰাহকে ষ্টক

ব্ৰ'কাৰক তেওঁলোকৰ সম্বন্ধৰ অন্ত পেলোৱাৰ বিষয়ে এখন লিখিত জাননী প্ৰায় এমাহৰ পূৰ্বে দি অৱগত নকৰে।

## অতিৰিক্ত অধিকাৰ তথা দায়িত্ব

30. ষ্টক ব্ৰ'কাৰৰ জৰিয়তে কৰা লেনদেনৰ ক্ষেত্ৰত গ্ৰাহকৰ ডিভিডেণ্ট, অধিকাৰ আৰু বোনাচ শ্বেয়াৰৰ বাবে ষ্টক ব্ৰ'কাৰে গ্ৰাহকক যথোপযুক্তভাৱে সুৰক্ষা প্ৰদান কৰিব আৰু তেওঁ/ই এনে কোনো কাম নকৰিব যাৰ বাবে গ্ৰাহকৰ অনিষ্ট সাধন হয় আৰু যাৰ বাবে তেওঁ/ই প্ৰতিভূতিত লেনদেন কৰিছে।

31. লেনদেন কাৰ্যকৰী কৰা সংলগ্ন এক্সচেঞ্জ তথা SEBI-ৰ নিয়ম, বিনিয়ম, উপবিধি, চাৰ্কুলাৰ, জাননী আৰু মাৰ্গদৰ্শিকা অনুসৰি সময়ে সময়ে ষ্টক ব্ৰ'কাৰ আৰু গ্ৰাহকে তেওঁলোকৰ একাউণ্টৰ মীমাংসা কৰিব।

32. ষ্টক ব্ৰ'কাৰে তেওঁৰ কনষ্টিটুৱেণ্টচক এনে ফ'ৰ্মেটত লেনদেন কাৰ্যকৰী কৰাৰ বাবে এটা কনট্ৰেক্ট নোট জাৰি কৰিব যিটো সময়ে সময়ে এক্সচেঞ্জে বিহিত কৰিব পাৰে য'ত সকলো লেনদেনৰ ৰেকৰ্ড থাকিব, অৰ্ডাৰ নম্বৰ, ট্ৰেড নম্বৰ, ট্ৰেড সময়, ট্ৰেড প্ৰাইচ, ট্ৰেড গুনমান, ডিৰাভেটিভ কনট্ৰেক্টৰ সবিশেষ, ক্লায়েণ্ট ক'ড, ব্ৰ'কাৰেজ, লগোৱা সকলো মূল্য ইত্যাদিকে অন্তৰ্ভুক্ত কৰি এক্সচেঞ্জে বিহিত কৰা সময়ৰ ভিতৰত সাঙুৰি। ট্ৰেড কাৰ্যকৰী কৰাৰ এক্স কাৰ্যকৰী দিনৰ ভিতৰত ষ্টক ব্ৰ'কাৰে বিনিয়োগকাৰীলৈ কনট্ৰেক্ট নোটৰ হাৰ্ড কপি আৰু/বা ডিজিটেল চহী ব্যৱহাৰ কৰি ইলেক্ট্ৰনিক পদ্ধতিত কনট্ৰেক্ট নোট পঠিয়াব।

33. প্ৰাসংগিক এক্সচেঞ্জৰ পৰা য'ত লেনদেন কাৰ্যকৰী কৰা হয়, পে'আউট পোৱাৰ এক্স কাৰ্যকৰী দিনৰ ভিতৰত ষ্টক ব্ৰ'কাৰে পুঁজিৰ পে'আউট বা প্ৰতিভূতিৰ ডেলিভাৰী কৰিব, যিটোৱেই হয়, যদিহে গ্ৰাহকে অন্যথা নকয় আৰু এনে নিয়ম তথা চৰ্তৰ অধীন নহয় যিবোৰ সময়ে সময়ে লেনদেন কাৰ্যকৰী কৰা প্ৰাসংগিক এক্সচেঞ্জে জাৰি কৰে।

34. ষ্টক ব্ৰ'কাৰে লেনদেন কাৰ্যকৰী কৰা প্ৰাসংগিক এক্সচেঞ্জে সময়ে সময়ে জাৰি কৰা সময়সীমা তথা ফ'ৰ্মেট অনুসৰি প্ৰত্যেক গ্ৰাহকৰ ক্ষেত্ৰতেই পুঁজি তথআ প্ৰতিভূতি দুয়োটাৰে সম্পূৰ্ণ ''একাউণ্টৰ খতিয়ান'' পঠিয়াব। ষ্টক ব্ৰ'কাৰৰ পৰা পোৱাৰ পিছত গ্ৰাহকে লেনদেন কাৰ্যকৰী হোৱা প্ৰাসংগিক এক্সচেঞ্জে সময়ে সময়ে জাৰি কৰা সময়সীমাৰ ভিতৰত খতিয়ানত থকা ভুল, যদি আছে, ৰিপ'ৰ্ট কৰাৰ বাবে খতিয়ানত উল্লেখ থাকিব।

35. ষ্টক ব্ৰ'কাৰে গ্ৰাহকলৈ দৈনিক মাৰ্জিন ষ্টেটমেণ্ট পঠিয়াব। দৈনিক মাৰ্জিন ষ্টেটমেণ্টত থাকিব ইণ্টাৰ-এলিয়া, জমা কৰা ক'লেটাৰেলৰ সবিশেষ, ব্যৱহৃত ক'লেটাৰেল আৰু ক'লেটাৰেল ষ্টেটাচ (উপলব্ধ বেলেঞ্চ/গ্ৰাহকৰ পৰা পাবলগীয়া বাকী) নগদ ধনৰ সম্পৰ্কত ব্ৰেক-আপৰ সৈতে, ফিক্সড ডিপ'জিট প্ৰাপ্তি পত্ৰ (FDRs), বেংক গ্যাৰাণ্টি তথা প্ৰতিভূতি।

36. গ্ৰাহকে এইটো নিশ্চিত কৰিব যে ষ্টক ব্ৰ'কাৰৰ সৈতে সম্বন্ধ গঢ়ি তোলাত আইনগত যোগ্যতা আছে তথা তেওঁ ইয়াৰ বাবে প্ৰাধিকৃত আৰু ইয়াৰ অধীনত তেওঁ দায়িত্ব পালন কৰাৰ বাবে যোগ্য।

লেনদেনৰ সকলো কথা মানি চলাটো নিশ্চিত কৰিবৰ বাবে সকলো কাৰ্য কৰা, যিটো গ্ৰাহকে কৰিব বুলি ল'ব, সেইবোৰ লেনদেনত সোমোৱাৰ পূৰ্বেই সম্পূৰ্ণ কৰিব লাগিব।

## ইলেক্ট্ৰ'নিক কনট্ৰেক্ট নোটচ (ECN)

37. যদি গ্ৰাহকে ইলেক্ট্ৰনিক পদ্ধতিৰে কনট্ৰেক্ট নোট পোৱাটো বাছি লয়, তেওঁ ষ্টক ব্ৰ'কাৰক সঠিক ই-মেইল ID প্ৰদান কৰিব। গ্ৰাহকে তেওঁৰ ই-মেইল ID সলনি হ'লে ষ্টক ব্ৰ'কাৰক এখন ভৌতিক পত্ৰৰে জানিবলৈ দিব। যদি গ্ৰাহকে ইন্টাৰনেট লেনদেন কৰিবলৈ বাছি লয়, তেন্তে ই-মেইল সলনি কৰাৰ বাবে অনুৰোধ ক্লায়েন্ট স্পেচিফিক ইউজাৰ ID আৰু পাছৱৰ্ডৰ সৈতে ছিকিয়ৰ্ড এক্সেছৰ জৰিয়তে কৰিব পৰা যায়।

38. ষ্টক ব্ৰ'কাৰে এইটো নিশ্চিত কৰিব যে ই-মেইলৰ জৰিয়তে পঠিওৱা ECN হ'ব ডিজিটেল চহী কৰা, এনক্ৰিপ্টেড, গাফিলতি কৰিব নোৱাৰা আৰু IT এক্ট, 2000-ৰ দফাসমূহ মানি চলা। যদি ECN এটা প্ৰত্যয়িত হিচাপে ই-মেইলৰ জৰিয়তে পঠিওৱা হয়, গাঁঠি দিয়া ফাইলটো ডিজিটেল চহীৰ দ্বাৰা সুৰক্ষিত হ'ব আৰু ই এনক্ৰিপ্টেড তথা গাফিলতি কৰিব নোৱাৰা বিধৰ হ'ব।

39. গ্ৰাহকে এইটো লক্ষ্য কৰিব যে ষ্টক ব্ৰ'কাৰে বাউন্স মেইল অধিসূচনা নোপোৱাৰ অৰ্থ হ'ব যে গ্ৰাহকৰ ই-মেইল IDত কনট্ৰেক্ট নোট ডেলিভাৰী হৈছে।

40. IT এক্ট, 2000-ৰ দফাসমূহ তথা SEBI/ষ্টক এক্সচেঞ্জে সময়ে সময়ে জাৰি কৰা এক্সটেন্ট নিয়ম/বিনিয়ম/চাৰ্কুলাৰ/মাৰ্গদৰ্শিকা অনুসৰি যিবোৰ এক্সচেঞ্জে জাৰি কৰে সেই পদ্ধতিত ষ্টক ব্ৰ'কাৰে ECN তথা ই-মেইলৰ প্ৰাপ্তিকৰণ এটা ছফ্ট আৰু গাফিলতি কৰিব নোৱাৰা ফৰ্মত নিজৰ লগত ৰাখিব। ডেলিভাৰী প্ৰমাণ অৰ্থাৎ কনট্ৰেক্ট নোট পঠিওৱাৰ সময়ত ছিষ্টেমে পৰিচালন কৰা লগ ৰিপ'ৰ্ট SEBI/এক্সচেঞ্জৰ বিনিয়মৰ অধীনত নিৰ্দিষ্ট সময়ৰ বাবে ষ্টক ব্ৰ'কাৰে ৰাখিব। গ্ৰাহকক ডেলিভাৰী নকৰা/ই-মেইল নাকচ বা বাউন্স বেক কৰা ক্ষেত্ৰত লগ ৰিপ'ৰ্টে কনট্ৰেক্ট নোটৰ সবিশেষ প্ৰদান কৰিব। SEBI/ষ্টক এক্সচেঞ্জৰ বিনিয়মৰ অধীনত নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত ষ্টক ব্ৰ'কাৰে সকলো সময়তে তেওঁ লোৱা বাউন্সড মেইলৰ অধিসূচনা নিশ্চিত কৰাৰ বাবে সকলো ধৰণৰ পদক্ষেপ ল'ব।

41. ইলেক্ট্ৰনিক পদ্ধতিৰে কনট্ৰেক্ট নোট পোৱাৰ বিকল্প বাছি নোলোৱা গ্ৰাহকক ষ্টক ব্ৰ'কাৰে ভৌতিক পদ্ধতিৰে কনট্ৰেক্ট নোট পঠিয়াই থাকিব। যি ক্ষেত্ৰত গ্ৰাহকক ECNসমূহ ডেলিভাৰী দিয়া হোৱা নাই বা গ্ৰাহকৰ ই-মেইল IDত এইবোৰ নাকচ কৰিছে (মেইল বাউন্সিং), ষ্টক ব্ৰ'কাৰে SEBI/ষ্টক এক্সচেঞ্জৰ বিনিয়মৰ অধীনত নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত গ্ৰাহকলৈ ভৌতিক কনট্ৰেক্ট পঠিয়াব আৰু এনে ভৌতিক কনট্ৰেক্ট নোটৰ ডেলিভাৰীৰ প্ৰমাণ নিজৰ হাতত ৰাখিব।

42. গ্ৰাহকলৈ ECN-ৰ যোগাযোগৰ ই-মেইলৰ উপৰিও ষ্টক ব্ৰ'কাৰে একে সময়তে নিৰ্দিষ্ট ৱেবছাইটত, যদি আছে, ECN প্ৰকাশ কৰিব, এক সুৰক্ষিত প্ৰকাৰেৰে আৰু গ্ৰাহকক এইসমূহ পাবলৈ সুবিধা কৰি দিব। ইয়াৰ উদ্দেশ্যেৰে গ্ৰাহকক এটা অদ্বিতীয় ইউজাৰ নাম তথা পাছৱৰ্ড দিব, আৰু লগতে গ্ৰাহকক কনট্ৰেক্ট নোট ইলেক্ট্ৰনিকেলী সঞ্চয় কৰি থোৱাৰ বাবে আৰু/বা ইয়াৰ এটা প্ৰিন্ট আউট ল'বলৈ এটা বিকল্পও দিব।

## আইন আৰু এক্তিয়াৰ

43. এই নথিপত্ৰত দিয়া নিৰ্দিষ্ট অধিকাৰসমূহৰ উপৰিও ষ্টক ব্ৰ'কাৰ, চাব ব্ৰ'কাৰ আৰু গ্ৰাহকে অন্য অধিকাৰসমূহো সাব্যস্ত কৰিব পাৰিব। এই অধিকাৰসমূহ হৈছে গ্ৰাহকে লেনদেন কৰিবলৈ বাছি লোৱা এক্সচেঞ্জৰ অন্তৰ্গত নিয়ম, উপবিধি তথা বিনিয়মৰ অধীন আৰু ই জাৰি কৰা চাৰ্কুলাৰ/জাননী বা SEBI-ৰ নিয়ম আৰু বিনিয়ম।

44. এই নথিপত্ৰৰ চৰ্তসমূহ সদায়েই চৰকাৰী অধিসূচনা, SEBIয়ে জাৰি কৰা যিকোনো নিয়ম, বিনিয়ম, মাৰ্গদৰ্শিকা তথা চাৰ্কুলাৰ/জাননী আৰু সময়ে সময়ে কাৰ্যকৰী হোৱা লেনদেন কাৰ্যকৰী কৰা প্ৰাসংগিক ষ্টক এক্সচেঞ্জৰ নিয়ম, বিনিয়ম আৰু উপবিধিৰ অধীন হ'ব।

45. 1996-ৰ আৰ্বিট্ৰেছন এণ্ড কনচিলিয়েছন এক্টৰ অধীনত মধ্যস্থতাকাৰীৰ দ্বাৰা দিয়া যিকোনো পুৰস্কাৰ ষ্টক ব্ৰ'কাৰ আৰু গ্ৰাহকে মানি ল'ব। যি কি নহওক, যদি কোনো পক্ষ মধ্যস্থতাকাৰীৰ পুৰস্কাৰৰ সৈতে সন্তুষ্ট নহয় তেন্তে ষ্টক এক্সচেঞ্জৰ ভিতৰতে আপীল কৰাৰ ব্যৱস্থা আছে।

46. এই নথিপত্ৰত ব্যৱহাৰ কৰা শব্দ আৰু বৰ্ণনাসমূহ কিন্তু যিবোৰ ইয়াত ব্যাখ্যা কৰা হোৱা নাই, যদিহে এই সন্দৰ্ভত অন্যথা আৱশ্যক হয়, একেই অৰ্থ হ'ব যেনেদৰে এক্সচেঞ্জ/SEBI-ৰ অধীনত জাৰি কৰা নিয়ম, উপবিধি আৰু বিনিয়ম তথা চাৰ্কুলাৰ/জাননীৰ অধীনত হয়।

47. ষ্টক ব্ৰ'কাৰে যোগ কৰা সকলো অতিৰিক্ত ঐচ্ছিক দফা/নথিপত্ৰ/এক্সচেঞ্জ/SEBI-ৰ নিয়ম/বিনিয়ম/জাননী/চাৰ্কুলাৰৰ বিপৰীতে হোৱা উচিত নহয়। এনে যি কোনো ঐচ্ছিক দফা/নথিপত্ৰত সলনিৰ বিষয়ে জনাবৰ বাবে এখন জাননী 15 দিনৰ পূৰ্বে দিয়াৰ প্ৰয়োজন। এক্সচেঞ্জ/SEBIয়ে নিৰ্ধাৰিত কৰা অধিকাৰ আৰু দায়িত্বৰ পৰিৱৰ্তনসমূহো গ্ৰাহকৰ দৃষ্টিগোচৰ কৰা উচিত।

48. SEBI-ৰ নিয়ম আৰু বিনিয়ম বা লেনদেন কাৰ্যকৰী কৰা প্ৰাসংগিক ষ্টক এক্সচেঞ্জৰ উপবিধি, নিয়ম তথা বিনিয়মৰ পৰিৱৰ্তনৰ হেতুকে পক্ষসমূহৰ অধিকাৰ তথা দায়িত্বসমূহ পৰিৱৰ্তন হয়, সেই পৰিৱৰ্তনসমূহ ইয়াত সন্নিৱিষ্ট হোৱা বুলি ধৰি লোৱা হ'ব যিটো নথিপত্ৰত উল্লিখিত পক্ষসমূহৰ অধিকাৰ আৰু দায়িত্বসমূহৰ ৰূপান্তকৰণ বুলি গণ্য কৰা হ'ব।

**ষ্টক ব্ৰ'কাৰে গ্ৰাহকক প্ৰদান কৰা ইন্টাৰনেট আৰু ৱায়াৰলেছ প্ৰযুক্তিভিত্তিক লেনদেন সুবিধা (*'অধিকাৰ আৰু দায়িত্ব'* নথিপত্ৰত উল্লিখিত সকলো দফা প্ৰযোজ্য হ'ব। অতিৰিক্তভাৱে ইয়াত উল্লেখ কৰা দফাসমূহো প্ৰযোজ্য হ'ব)**

1. ৱায়াৰলেছ প্ৰযুক্তিৰ জৰিয়তে ষ্টক ব্ৰ'কাৰে ইন্টাৰনেট বেইচ্‌ড ট্ৰেডিং (IBT) তথা প্ৰতিভূতি প্ৰদান কৰাৰ বাবে যোগ্য। এই প্ৰযুক্তিত অন্তৰ্ভুক্ত হয় এনে ব্যৱহাৰিক সঁজুলি যে ম'বাইল ফোন, ডেটা কাৰ্ডৰ সৈতে লেপটপ ইত্যাদি যিবোৰে ইন্টাৰনেট প্ৰট'কল (IP) ব্যৱহাৰ কৰে। SEBI আৰু এক্সচেঞ্জে সময়ে সময়ে নিৰ্দিষ্ট কৰা অনুসৰি ষ্টক ব্ৰ'কাৰে ইন্টাৰনেটভিত্তিক লেনদেন/প্ৰতিভূতিৰ বাবে সকলো প্ৰযোজ্য আৱশ্যকতা মানি চলিব।

2. প্ৰতিভূতিত বিনিয়োগ/লেনদেন কৰাৰ বাবে গ্ৰাহক ইচ্ছুক আৰু এই উদ্দেশ্যৰে গ্ৰাহকে ইন্টাৰনেটভিত্তিত লেনদেনৰ সুবিধা বা ৱায়াৰলেছ প্ৰযুক্তি ব্যৱহৃত প্ৰতিভূতি লেনদেন কৰাৰ বাবে ইচ্ছুক। ষ্টক ব্ৰ'কাৰে গ্ৰাহকক ষ্টক ব্ৰ'কাৰ্চ IBT সেৱা আগবঢ়াব আৰু গ্ৰাহকে ষ্টক ব্ৰ'কাৰ্চ IBT সেৱা গ্ৰহণ কৰিব। এই সুবিধা SEBI/এক্সচেঞ্জ ব্যৱস্থাৰ আৰু ষ্টক ব্ৰ'কাৰ্চ IBT ৱেবছাইটত নিৰ্দিষ্ট কৰা নিয়ম আৰু চৰ্তসমূহৰ অধীন হ'ব যদিহে সেইবোৰ এক্সচেঞ্জ/SEBIয়ে জাৰি কৰা নিয়মৰ লগত সমান্তৰাল হয়।

3. ৱায়াৰলেছ প্ৰযুক্তি/ইন্টাৰনেট/স্মাৰ্ট অৰ্ডাৰ ৰুটিঙৰ জৰিয়তে কৰা প্ৰতিভূতি লেনদেনৰ সৈতে সংলগ্ন বৈশিষ্ট, ক্ষতিশংকা, দায়িত্ব, কৰ্তব্য আৰু দেয়তাৰ বিষয়ে ষ্টক ব্ৰ'কাৰে গ্ৰাহকক অৱগত কৰিব বা যিকোনো অন্য প্ৰযুক্তিৰ বিষয়েও ষ্টক ব্ৰ'কাৰে গ্ৰাহকক জনোৱা উচিত।

4. ষ্টক ব্ৰ'কাৰে গ্ৰাহকক এই বিষয়েও অৱগত কৰিব যে ষ্টক ব্ৰ'কাৰ্চ IBT ব্যৱস্থাটোৱেই এক্সচেঞ্জ/SEBIৰ দ্বাৰা জাৰি কৰা নিয়মৰ সৈতে সামঞ্জস্য ৰাখি প্ৰাৰম্ভিক পাছৱৰ্ড আৰু ইয়াৰ পাছৱৰ্ড নীতি পৰিচালনা কৰিব।

5. ইউজাৰ নাম তথা পাছৱৰ্ড গোপনীয় আৰু সুৰক্ষিত কৰি ৰখাৰ দায়িত্ব গ্ৰাহকৰ হ'ব। ষ্টক ব্ৰ'কাৰ্চ IBT ব্যৱস্থাৰ জৰিয়তে গ্ৰাহকৰ ইউজাৰ নাম আৰু/বা পাছৱৰ্ড ব্যৱহাৰ কৰি যিকোনো ব্যক্তিয়েই কৰা অৰ্ডাৰ আৰু লেনদেনৰ বাবে গ্ৰাহকে নিজেই দায়ী হ'ব যদিও সেই ব্যক্তিক এনে কৰাৰ বাবে প্ৰাধিকৃত কৰা হওক বা নহওক। গ্ৰাহকে এই কথা জানিব যে অৰ্ডাৰ ৰুটেড পদ্ধতিৰ জৰিয়তে ৱায়াৰলেছ প্ৰযুক্তিৰ দ্বাৰা ইন্টাৰনেট লেনদেন/প্ৰতিভূতি লেনদেনৰ বাবে প্ৰমাণীকৃত প্ৰযুক্তি আৰু কঠোৰ সুৰক্ষাৰ উপায় আৱশ্যক আৰু গ্ৰাহকে ষ্টক ব্ৰ'কাৰৰ কৰ্মচাৰী তথা ডীলাৰতে অন্তৰ্ভুক্ত কৰি যিকোনো তৃতীয় পক্ষক গ্ৰাহক আৰু/বা তেওঁৰ প্ৰাধিকৃত পাছৱৰ্ড ফাদিল নকৰে বুলি নিশ্চিত কৰাৰ দায়িত্ব লয়।

6. গ্ৰাহকে ষ্টক ব্ৰ'কাৰক লিখিতভাৱে ততালিকে জনাব যদি তেওঁ পাছৱৰ্ড পাহৰে, ষ্টক ব্ৰ'কাৰ্চ IBT পদ্ধতিত সুৰক্ষাৰ গাফিলতি ধৰা পেলায়, তেওঁৰ ইউজাৰ নাম/পাছৱৰ্ড/একাউন্টৰ জৰিয়তে অনাধিকৃত এক্সেছ ধৰা পেলায়/হেৰ-ফেৰ হোৱা বুলি সন্দেহ কৰে। এনে অনাধিকৃত ব্যৱহাৰৰ কথা হোৱাৰ পিছতেই এই ধৰণৰ অনাধিকৃত ব্যৱহাৰ, ইয়াৰ তাৰিখ, ইয়াৰ প্ৰকৃতি তথা প্ৰভাৱিত হোৱা লেনদেন ইত্যাদি বিশদভাৱে জনাব।

7. ৱায়াৰলেছ প্ৰযুক্তিৰ জৰিয়তে ইন্টাৰনেট/প্ৰতিভূতি লেনদেনত ৰুটিং অৰ্ডাৰৰ বাবে সেৱা গ্ৰহণ কৰাৰ সৈতে সংলগ্ন ক্ষতিশংকাসমূহৰ বিষয়ে গ্ৰাহকে সম্পূৰ্ণভাৱে জানে আৰু বুজি পায় আৰু যিকোনো ভাৱে গ্ৰাহকৰ ইউজাৰ নাম তথা পাছৱৰ্ডৰ জৰিয়তে কৰা সকলো কাৰ্যৰ বাবে গ্ৰাহক সম্পূৰ্ণভাৱে জগৰীয়া আৰু দায়ী হ'ব।

8. গ্ৰাহকৰ অনুৰোধত ষ্টক ব্ৰ'কাৰে ই-মেইলৰ জৰিয়তে অৰ্ডাৰ/লেনদেন দৃঢ় প্ৰতিপন্ন কৰিব। গ্ৰাহকে এই কথা জানে যে অৰ্ডাৰ/লেনদেনৰ দৃঢ় প্ৰতিপন্নতা ৰেব প'ৰ্টেলতো পাব পাৰি। গ্ৰাহকে ৱায়াৰলেছ প্ৰযুক্তি ব্যৱহাৰ কৰি লেনদেন কৰাৰ ক্ষেত্ৰত ষ্টক ব্ৰ'কাৰ্ অৰ্ডাৰ/লেনদেনৰ দৃঢ় প্ৰতিপন্নতা গ্ৰাহকৰ যতনত পঠিয়াব।

9. গ্ৰাহকৰ এইটো জ্ঞাত যে ইন্টাৰনেটত লেনদেন কৰিলে বহুতো অনিশ্চিত কাৰক উদ্ভৱ হ'ব পাৰে আৰু জটিল হাৰ্ডৱেৰ, ছফটৱেৰ, কমিউনিকেছন লাইন, পেৰিফেৰেল ইত্যাদিত প্ৰতিবন্ধকতা আহিব পাৰে তথা ব্যাহত হ'ব পাৰে। ষ্টক ব্ৰ'কাৰ আৰু এক্সচেঞ্জে এনে কোনো প্ৰতিনিধিত্ব নকৰে অথবা ৱাৰেণ্টি নিদিয়ে যে ষ্টক ব্ৰ'কাৰৰ IBT সেৱা কোনো ব্যাহত নোহোৱাকৈ গ্ৰাহকৰ বাবে উপলব্ধ হ'ব।

10. ষ্টক ব্ৰ'কাৰ/এক্সচেঞ্জ নিয়ন্ত্ৰণৰ বাহিৰৰ কোনো কাৰণত গ্ৰাহক/ষ্টক ব্ৰ'কাৰ/এক্সচেঞ্জৰ ক্ষেত্ৰত কোনো ধৰণৰ লিংক/প্ৰক্ৰিয়া বিকল হ'লে যিকোনো স্থগিতকৰণ, ব্যাঘাত, ষ্টক ব্ৰ'কাৰ্চ IBT ব্যৱস্থা বা সেৱা, এক্সচেঞ্জৰ সেৱা বা পদ্ধতি অনা-উপলব্ধতা বা অচল হোৱা বা গ্ৰাহকৰ অৰ্ডাৰ কাৰ্যকৰী নোহোৱাৰ বাবে গ্ৰাহকে এক্সচেঞ্জ বা ষ্টক ব্ৰ'কাৰৰ বিৰুদ্ধে কোনো দাবী উত্থাপন কৰিব নোৱাৰিব।

## অনুবন্ধ - 5

## মূলধন বজাৰ আৰু ডিৰাইভেটিভ ছেগমেন্টৰ বাবে ক্ষতিশংকা প্ৰকটকৰণ নথিপত্ৰ

এই নথিপত্ৰত ষ্টক এক্সচেঞ্জসমূহৰ ইকুইটি/ডিৰাইভেটিভ ছেগমেন্টত ট্ৰেডিঙৰ বিষয়ে গুৰুত্বপূৰ্ণ জাননী দিয়া হৈছে। সকলো সম্ভাব্য গ্ৰাহকক এক্সচেঞ্জসমূহত ইকুইটি/ডিৰাইভেটিভ ছেগমেন্টত ট্ৰেডিং কৰাৰ পূৰ্বে এই নথিপত্ৰৰ অধ্যয়ন কৰা উচিত।

ষ্টক এক্সচেঞ্জসমূহ/SEBIয়ে একক বা যুঁটীয়াভাৱে তথা সম্পূৰ্ণভাৱে বা ইংগিতেৰে কোনো গ্যাৰান্টি নিদিয়ে, এই নথিপত্ৰৰ সম্পূৰ্ণতাৰ ক্ষেত্ৰত কোনো প্ৰতিনিধিত্ব, পৰ্যাপ্ততা বা যথাৰ্থতা নিদিয়ে, ষ্টক এক্সচেঞ্জ/SEBIয়ে ট্ৰেডিং ছেগমেন্টত অংশগ্ৰহণ কৰাৰ কোনো যোগ্যতা অনুমোদন বা মঞ্জুৰ নকৰে। এই সংক্ষিপ্তই নথিপত্ৰই ট্ৰেডিঙৰ সকলো ক্ষতিশংকা তথা অন্য গুৰুত্বপূৰ্ণ দিশসমূহ ফাদিল নকৰে।

জড়িত ক্ষতিশংকালৈ লক্ষ্য ৰাখি আপুনি কেৱল তেতিয়াহে লেনদেন কৰা উচিত যেতিয়া আপুনি সেই সম্পৰ্কীয় স্বৰূপ আৰু ক্ষতিশংকাৰ বিস্তাৰ বুজি পায় য'ত আপুনি প্ৰৱেশ কৰিছে।

আপুনি জনা উচিত আৰু প্ৰশংসা কৰা উচিত যে ইকুইটি শ্বেয়াৰ, ডিৰাইভেটিভ কণ্ট্ৰেক্ট বা ষ্টক এক্সচেঞ্জত ট্ৰেড কৰা আৰু অন্য মাধ্যম (ইনষ্ট্ৰুমেন্ট)ত ট্ৰেডিং, য'ত ক্ষতিশংকাৰ বিভিন্ন মাত্ৰা অন্তৰ্ভুক্ত, সাধাৰণতে সীমিত উৎসমূহ/সীমিত বিনিয়োগ আৰু/বা ট্ৰেডিং অভিজ্ঞতা আৰু কম ক্ষতিশংকা সহিষ্ণুতাযুক্ত কোনো ব্যক্তিৰ বাবে এক উপযুক্ত স্থান নহয়। সেইবাবে আপুনি আপোনাৰ আৰ্থিক অৱস্থালৈ লক্ষ্য ৰাখি অনুকূলভাৱে বিবেচনা কৰা উচিত যে এনে ট্ৰেডিং আপোনাৰ বাবে উপযুক্ত হয় নে নহয়। যদি আপুনি শ্বেয়াৰ বজাৰত ট্ৰেড কৰে আৰু প্ৰতিকূল পৰিণাম বা লোকচানত ভোগে, তেন্তে আপুনি তাৰ বাবে সম্পূৰ্ণভাৱে দায়ী হ'ব আৰু ষ্টক এক্সচেঞ্জ/ইয়াৰ ক্লিয়েৰিং কৰ্প'ৰেছন আৰু/বা SEBI, যিকোনো প্ৰকাৰেৰে ইয়াৰ বাবে দায়ী নহ'ব আৰু আপোনাৰ ওচৰত এই দলিল দিয়াৰ বিকল্প নহ'ব যে আপুনি জড়িত ক্ষতিশংকাৰ ক্ষেত্ৰত পৰ্যাপ্ত জাননী দিয়া নাছিল বা এইটো যে আপোনাক সংশ্লিষ্ট ষ্টক ব্ৰ'কাৰৰ দ্বাৰা জড়িত সম্পূৰ্ণ ক্ষতিশংকাৰ বিষয়ে অৱগত কৰা নাছিল। গ্ৰাহক পৰিণামৰ বাবে অকলশৰে দায়বদ্ধ হ'ব আৰু সেই আধাৰত যিকোনো ডিৰাভেটিভ কনট্ৰেক্টৰ ক্ৰয় আৰু/বা বিক্ৰীৰ আদেশ সম্পাদন কৰাৰ সময়ত লাভসমূহৰ কোনো গ্যাৰেন্টী নাথাকিব পাৰে আৰু/বা ক্ষতিসমূহৰ কোনো অপবাদ নহ'ব পাৰে।

আপুনি এইটো স্পষ্টভাৱে বুজা উচিত যে এজন ষ্টক ব্ৰ'কাৰৰ জৰিয়তে ষ্টক এক্সচেঞ্জসমূহত আপোনাৰ ডীলিং (লেনদেন), ষ্টক ব্ৰ'কাৰৰ দ্বাৰা নিৰ্ধাৰিত কিছুমান আনুষ্ঠানিকতা সম্পূৰ্ণ কৰাৰ অধীন হ'ব য'ত অন্য সামগ্ৰীৰ লগে লগে গ্ৰাহকে জনা ফৰ্ম পূৰোৱা, অধিকাৰ আৰু দায়িত্বসমূহ পঢ়া, কৰণীয় আৰু অকৰণীয় আদি অন্তৰ্ভুক্ত হ'ব পাৰে আৰু প্ৰাসংগিক ষ্টক এক্সচেঞ্জসমূহ বা ইয়াৰ ক্লিয়েৰিং কৰ্প'ৰেছনৰ নিয়ম, উপবিধি আৰু বিনিয়ম আৰু ছেবিৰ দ্বাৰা নিৰ্ধাৰিত সময়ত জাৰি কৰা মাৰ্গদৰ্শিকা আৰু ষ্টক এক্সচেঞ্জসমূহ বা ইয়াৰ ক্লিয়েৰিং কৰ্প'ৰেছনৰ দ্বাৰা সময়ে সময়ে জাৰি কৰা জাননীৰ অধীন।

ষ্টক এক্সচেঞ্জে যিকোনো পৰামৰ্শ প্ৰদান কৰে বা পৰামৰ্শ দিয়াৰ ইচ্ছা নকৰে আৰু যিকোনো এনে ব্যক্তিৰ বাবে জবাবদিহি নহ'ব যি ষ্টক এক্সচেঞ্জসমূহৰ ষ্টক ব্ৰ'কাৰ আৰু/বা এই নথিপত্ৰত অন্তৰ্ভুক্ত যিকোনো জাননীৰ ভিত্তিত যি কোনো তৃতীয় পক্ষৰ সৈতে যিকোনো ব্যৱসায়িক সম্পৰ্কত প্ৰৱেশ কৰে। এই নথিপত্ৰত অন্তৰ্ভুক্ত কোনো জাননী ব্যৱসায়িক পৰামৰ্শ হিচাপে মানি লোৱা উচিত নহয়। ট্ৰেড কৰাৰ বাবে যিকোনো বিবেচনা এই ধৰণৰ ট্ৰেডিঙত জড়িত ক্ষতিশংকা বুজি পাওক আৰু সমীক্ষা নকৰাকৈ কৰা উচিত নহয়। যদি আপুনি নিশ্চিত নহয়, তেন্তে আপুনি সেই বিষয়ে পেছাদাৰীৰ পৰামৰ্শ লোৱা উচিত।

এই বিবেচনা কৰাৰ বাবে যে ট্ৰেড কৰা হয় বা নহয় বা কাৰোবাক নিজৰ ফালৰ পৰা ট্ৰেড কৰাৰ কর্তৃত্ব প্রদান কৰা হয় বা নহয়, আপোনাৰ নিম্নলিখিতৰ বিষয়ে জাননী থকা উচিত বা ইয়াৰ সৈতে পৰিচিত হোৱা উচিত:-

## 1. মৌলিক ক্ষতিশংকাসমূহঃ

### 1.1 উচ্চ অস্থিৰতাৰ ক্ষতিশংকাঃ

অস্থিৰতাৰ তাৎপর্য সেই মূল্যত গতিশীল পৰিৱৰ্তনৰ পৰা হয় য'ত এক প্রতিভূতি/ডিৰাইভেটিভ কনট্ৰেক্ট কৰা হয় যেতিয়া ট্ৰেডিং গতিবিধিসমূহ ষ্টক এক্সচেঞ্জতসমূহত জাৰি থাকে। সাধাৰণতে, এক প্রতিভূতি/ডিৰাইভেটিভ কনট্ৰেক্টৰ অস্থিৰতা যিমানে উচ্চ হয় তাৰ মূল্যত পৰিৱৰ্তনো সিমানেই অধিক হয়। সক্রিয় প্রতিভূতি/ডিৰাইভেটিভ কনট্ৰেক্টৰ তুলনাত কম ট্ৰেড কৰা প্রতিভূতি/ডিৰাইভেটিভ কনট্ৰেক্টতস সাধাৰণতে অস্থিৰতা হ'ব পাৰে। অস্থিৰতাৰ পৰিণাম স্বৰূপে, আপোনাৰ আদেশ সম্পাদন কৰা হয়, অন্তিম ট্ৰেডেড মূল্যতকৈ অলপ বেলেগ হ'ব পাৰে বা অনৰ্গলভাৱে সলনি হ'ব পাৰে যাৰ পৰিণামস্বৰূপে কল্পনাপূর্ণ বা প্রকৃত লোকচান হ'ব পাৰে।

### 1.2 নিম্নতম তৰলতাৰ ক্ষতিশংকাঃ

তৰলতা এক প্রতিযোগিতামূলক আৰু ন্যূনতম মূল্যৰ পাৰ্থক্যৰ সৈতে দ্রুতগতিত প্রতিভূতিসমূহ/ডিৰাইভেটিভ কনট্ৰেক্টৰ ক্রয় আৰু/বা বিক্রীৰ বাবে বজাৰ অংশগ্রহণকাৰীৰ ক্ষমতা দর্শায়। সাধাৰণতে, এইটো গ্রহণ কৰা হয় যে এক বজাৰত উপলব্ধ আদেশৰ সংখ্যা যিমানেই অধিক হয়, তৰলতা সিমানেই অধিক হয়। তৰলতা গুৰুত্বপূর্ণ হয় কিয়নো অধিক তৰলতাৰ সৈতে বিনিয়োগকাৰীসকলৰ বাবে দ্রুতভাৱে আৰু ন্যূনতম মূল্যত পাৰ্থক্যৰ সৈতে প্রতিভূতিসমূহ/ডিৰাইভেটিভ কনট্ৰেক্ট ক্রয় কৰা আৰু/বা বিক্রী কৰা সহজ হৈ পৰে আৰু ফলস্বৰূপে বিনিয়োগকাৰীসকলৰ দ্বাৰা ক্রয় বা বিক্রয় কৰা প্রতিভূতিসমূহ/ডিৰাইভেটিভৰ বাবে এক প্রতিযোগিতামূলক মূল্যৰ আদায় কৰা বা প্রাপ্তি হোৱাৰ সম্ভাৱনা থাকে। সক্রিয় প্রতিভূতিসমূহ/ডিৰাইভেটিভ কনট্ৰেক্টৰ তুলনাত কিছুমান প্রতিভূতিত কম তৰলতাৰ ক্ষতিশংকা থাকিব পাৰে। পৰিণামস্বৰূপে আপোনাৰ আদেশ কেৱল আংশিকভাৱে সম্পাদন কৰিব পৰা যায় বা তুলনামূলকভাৱে অধিক মূল্যৰ পাৰ্থক্যত সম্পাদিত কৰিব পৰা যায় অথবা সম্পূর্ণৰূপে সম্পাদন কৰিব পৰা নাযায়।

**1.2.1** ডে'-ট্ৰেডিং কৌশলৰ এটা অংশ হিচাপে প্রতিভূতিসমূহ/ডিৰাইভেটিভ কনট্ৰেক্টৰ ক্রয় অথবা বিক্রয়ৰ ফলস্বৰূপেও লোকচান হ'ব পাৰে, এনে ক্ষেত্রত প্রতিভূতিসমূহ/ডিৰাইভেটিভ কনট্ৰেক্ট প্রত্যাশিত মূল্য পর্যায়ৰ তুলনাত কম/অধিক মূল্যত ক্রয়/বিক্রয় কৰিব পৰা যায়, সেইবাবে এক প্রতিভূতি/ডিৰাইভেটিভ কনট্ৰেক্ট ডেলিভাৰ কৰা বা প্রাপ্তিৰ বাবে যিকোনো খোলা স্থিতি বা দায়িত্ব নাৰাখে।

### 1.3 বিস্তৃত স্প্রেডৰ ক্ষতিশংকাঃ

স্প্রেড সর্বোত্তম ক্রয় মূল্য আৰু সর্বোত্তম বিক্রয় মূল্যৰ ভিতৰত পাৰ্থক্য দর্শায়। ই এক প্রতিভূতি/ডিৰাইভেটিভ কনট্ৰেক্ট ক্রয় কৰা আৰু ইয়াৰ তৎক্ষণাৎ পিছত বিক্রয় কৰা বা বিপৰীতভাৱে মূল্যৰ ভিতৰত পাৰ্থক্য প্রদর্শিত কৰে। নিম্নতম তৰলতা আৰু উচ্চ অস্থিৰতাৰ পৰিণামস্বৰূপে কম তৰল বা অন্য তৰল প্রতিভূতিসমূহ/ডিৰাইভেটিভ কনট্ৰেক্টৰ বাবে সাধাৰণৰ পৰা অধিক স্প্রেড হ'ব পাৰে। এই সলনিত উন্নত মূল্যৰ স্থাপনত বাধাৰ সৃষ্টি কৰিব।

### 1.4 ক্ষতিশংকা হ্রাস কৰাৰ আদেশঃ

সেই আদেশসমূহ (যেনে ''ষ্টপ লছ'' আদেশ বা ''লিমিট আদেশ'') ৰখা যি ক্ষতিসমূহৰ অলপ পৰিমাণলৈকে সীমাত কৰাৰ ইচ্ছা ৰাখে, কেতিয়াবা ফলদায়ক নহ'ব পাৰে কিয়নো বজাৰৰ স্থিতিসমূহত দ্রুতভাৱে বঢ়া-টুটা হোৱাৰ বাবে এনে আদেশসমূহ সম্পাদন কৰাৰ সম্ভৱ নহ'ব পাৰে।

**1.4.1** এক ''বজাৰ'' আদেশৰ মূল্যৰ ওপৰত লক্ষ্য নকৰাকৈ বিপৰীত ফালৰ পৰা আদেশসমূহৰ উপলব্ধতাৰ অধীন ততালিকে সম্পাদন কৰা হ'ব আৰু এইটো যে যেতিয়া গ্ৰাহকক এক ''বজাৰ'' আদেশৰ তৎপৰ সম্পাদন প্ৰাপ্তি হ'ব পাৰে, সম্পাদন বকেয়া আদেশৰ উপলব্ধ মূল্যত হ'ব পাৰে যি মূল্য সময় প্ৰাথমিকতাৰ ওপৰত আদেশ পৰ্যায়ক সন্তুষ্ট কৰে। এইটো বুজিব পৰা যায় যে মূল্যসমূহ সেই প্ৰতিভূতি/ডিৰাইভেটিভ কনট্ৰেক্টত অন্তিম ট্ৰেড কৰা মূল্য বা সৰ্বোত্তম মূল্যতকৈ বহু ভিন্ন হ'ব পাৰে।

**1.4.2** এক ''লিমিট'' আদেশ কেৱল আদেশৰ বাবে নিৰ্দিষ্ট ''লিমিট'' মূল্য বা এক উন্নত মূল্যত সম্পাদিত কৰা হ'ব। যি কি নহওক, গ্ৰাহকক মূল্য সুৰক্ষা প্ৰাপ্তি হয় তথাপি এইটো সম্ভাৱনা থাকে যে আদেশ সম্পুৰ্ণভাৱে সম্পাদন কৰিব পৰা নাযায়।

**1.4.3** এক ষ্টপ লছ আদেশ সাধাৰণতে এক ষ্টক/ডিৰাইভেটিভ কনট্ৰেক্টৰ বৰ্তমান মূল্যতকৈ ''বেলেগ'' কৈ স্থাপিত কৰা হয় আৰু এনে আদেশ কেৱল তেতিয়াহে সক্ৰিয় হয় যেতিয়া প্ৰতিভূতিসমূহ/ডিৰাইভেটিভ কনট্ৰেক্ট ষ্টপ মূল্য পায়গৈ বা তাৰ জৰিয়তে ট্ৰেড কৰে। বিক্ৰয় ষ্টপ আদেশ সাধাৰণতে বৰ্তমান মূল্যতকৈ তলত প্ৰবিষ্ট কৰা হয়। যেতিয়া প্ৰতিভূতিসমূহ/ডিৰাইভেটিভ কনট্ৰেক্ট পূৰ্ব-নিৰ্ধাৰিত মূল্য পায়গৈ অথবা এনে ধৰণৰ মূল্য হৈ ট্ৰেড কৰে তেন্তে ষ্টপ লছ আদেশ এখন বজাৰ/লিমিট আদেশলৈ সলনি হয় আৰু লিমিটত বা উন্নত পৰিস্থিতিত সম্পাদিত কৰা হয়। এই কথাৰ কোনো আশ্বাস নাই যে লিমিট আদেশ সম্পাদনযোগ্য হ'ব, যিহেতু এক প্ৰতিভূতি/ডিৰাইভেটিভ কনট্ৰেক্ট পূৰ্ব নিৰ্ধাৰিত মূল্যত কাৰ্য কৰিব পাৰে, এনে স্থিতিত এনে আদেশৰ সম্পাদন নোহোৱাৰ ক্ষতিশংকা কেৱল এক নিয়মিত লিমিট আদেশ হিচাপে উৎপন্ন হয়।

## 1.5 বাতৰি ঘোষণাৰ ক্ষতিশংকাঃ

সেইবোৰ বাতৰি ঘোষণা যি ট্ৰেডিঙৰ সময়ত ষ্টক/ডিৰাইভেটিভ কনট্ৰেক্টৰ মূল্য প্ৰভাৱিত কৰিব পাৰে আৰু কম তৰলতা তথা উচ্চ অস্থিৰতাৰ সৈতে সংযোজন কৰাৰ ফলত হঠাতে প্ৰতিভূতি কনট্ৰেক্টৰ মূল্যত এক অপ্ৰত্যাশিত যোগাত্মক বা ঋণাত্মক অৱস্থাৰ কাৰণ হ'ব পাৰে।

## 1.6 উৰা-বাতৰিৰ ক্ষতিশংকাঃ

কেতিয়াবা কোম্পানী/মুদ্ৰাৰ বিষয়ে শব্দ, বাতৰি-কাকত, ৱেবছাইট বা বাতৰি এজেন্সি আদিৰ জৰিয়তে বজাৰত উৰা-বাতৰি বিয়পিবলৈ ধৰে। বিনিয়োগকাৰীয়ে ইয়াৰ পৰা সাৱধান হোৱা উচিত আৰু উৰা-বাতৰিৰ ভিত্তিত কাৰ্য কৰাৰ পৰা ৰক্ষা পোৱা উচিত।

## 1.7 পদ্ধতিগত ক্ষতিশংকাঃ

উচ্চ মাত্ৰা ট্ৰেডিং সঘনে বজাৰ খোলাৰ সময়ত আৰু বজাৰ বন্ধ হোৱাৰ আগেয়ে ঘটিব। এই ধৰণৰ উচ্চ মাত্ৰা দিনত যিকোনো সময়তো হ'ব পাৰে। ইয়াৰ ফলস্বৰূপে আদেশ সম্পাদন বা প্ৰতিপন্নতা কৰাত বিলম্ব হ'ব পাৰে।

**1.7.1** অস্থিপতা ম্যাদৰ সময় একেৰাহে আপোনাৰ আদেশৰ মাত্ৰা বা মূল্য সংশোধিত কৰা বা নতুন আদেশ স্থাপিত কৰা বজাৰ অংশগ্ৰহণকাৰী হোৱাৰ বাবে আদেশ সম্পাদন আৰু ইয়াৰ প্ৰতিপন্নতাত বিলম্ব হ'ব পাৰে।

**1.7.2** কিছুমান নিশ্চিত বজাৰ পৰিস্থিতিত এক উচিত মূল্যত বা সমগ্ৰভাৱে বজাৰত এক স্থিতিৰ সমাপ্তি ঘটোৱা তেতিয়া কঠিন অথবা অসমম্ভৱ হৈ পৰে যেতিয়া ক্ৰয় পক্ষ বা বিক্ৰয় পক্ষৰ যিকোনো আদেশ বকেয়া নহয়, বা যদি অসাধাৰণ ট্ৰেডিং গতি-বিধি বা প্ৰতিভূতি/ডিৰাইভেটিভ কনট্ৰেক্টৰ চাৰ্কিট ফিল্টাৰ পাৰ কৰাৰ ফলত বা কোনো অন্য কাৰণৰ বাবে এক প্ৰতিভূতি/ডিৰাইভেটিভ কনট্ৰেক্টত ট্ৰেডিং বন্ধ কৰি দিয়া হয়।

**1.8 পদ্ধতি/নেটৱৰ্ক কঞ্জেছনঃ**
আদেশসমূহ স্থাপিত কৰা আৰু পথত নিয়াৰ বাবে ছেটেলাইট/লীজড লাইন আধাৰিত সঞ্চাৰ, টেকনিক আৰু কম্পিউটাৰ পদ্ধতিৰ সংযোজনৰ ওপৰত আধাৰিত ইলেক্ট্ৰনিক প্ৰকাৰত এক্সচেঞ্জসমূহৰ ওপৰত ট্ৰেডিং হয়। এই ধৰণে তাত সঞ্চাৰ বিফলতা বা পদ্ধতিগত সমস্যাসমূহ বা পদ্ধতিৰ সৈতে মন্থৰ বা বিলম্বতা প্ৰতিক্ৰিয়া বা ট্ৰেডিং বন্ধ কৰা বা এনে কোনো অন্য সমস্যা/বেমেজালি উদ্ভৱ হ'ব পাৰে, য'ত ট্ৰেডিং পদ্ধতি/নেটৱৰ্কৰ বাবে স্থাপিত কৰা সম্ভৱ নাছিল, যি নিয়ন্ত্ৰণৰ বাহিৰত হ'ব পাৰে আৰু যাৰ ফলস্বৰূপে আংশিক সম্পূৰ্ণৰূপে ক্ৰয় বা বিক্ৰয় আদেশসমূহ সম্পাদন কৰা বা নকৰাত বিলম্ব হ'ব পাৰে। আপোনাক ইয়াৰ প্ৰতি মনোযোগ দিবলৈ সতৰ্ক কৰা হয় যে যদি সমস্যাসমূহ সম্ভৱতঃ অস্থায়ী হ'ব পাৰে কিন্তু যেতিয়া আপোনাৰ ওচৰত খোলা স্থিতি বা অনা-সম্পাদন আদেশ শেষ হয় তেন্তে এই সকলো সম্পাদিত লেনদেনৰ মীমাংসা কৰাৰ বাবে আপোনাৰ দায়িত্বৰ বাবে ক্ষতিশংকা বহন কৰে।

## 2. যেতিয়ালৈকে ডিৰাইভেটিভ ছেগমেণ্ট জড়িত, অনুগ্ৰহ কৰি নিম্নলিখিত অতিৰিক্ত সুবিধাসমূহৰ ওপৰত মনোযোগ দিয়ক আৰু ইয়াৰ সৈতে নিজকে পৰিচিত কৰাওকঃ

### 2.1 “লীভাৰেজ” বা “গীয়েৰিং”ৰ প্ৰভাৱঃ
ডিৰাইভেটিভ বজাৰত মাৰ্জিনৰ পৰিমাণ ডিৰাইভেটিভ কনট্ৰেক্টৰ পৰিমাণৰ এটা সৰু অনুপাত থাকে, যিটো লেনদেন ‘লীভাৰেজড’ বা ‘গীয়ৰ্ড’ হয়। ডিৰাইভেটিভ ট্ৰেডিং যাক মাৰ্জিনৰ এটা তুলনামূলকভাৱে সৰু পৰিমাণৰ সৈতে কৰা হয়, মাৰ্জিনৰ পৰিমাণৰ তুলনত অধিক লাভ বা হানিৰ সম্ভাৱনা প্ৰদান কৰে। কিন্তু ডিৰাইভেটিভত লেনদেনত উচ্চ স্তৰৰ ক্ষতিশংকা অন্তৰ্ভুক্ত হয়।

সেইবাবে আপুনি প্ৰকৃততে ডিৰাইভেটিভত ট্ৰেডিং কৰাৰ আগেয়ে নিম্ন বিৱৰণ সম্পূৰ্ণৰূপে বুজা উচিত আৰু লগতে ব্যক্তিৰ পৰিস্থিতি, বিত্তীয় উৎসসমূহ আদিত লক্ষ্য ৰাখি সাৱধানেৰে ট্ৰেড কৰা উচিত। যদি মূল্যসমূহ আপোনাৰ বিপৰীতে যায় তেন্তে তুলনামূলকভাৱে আপোনাক কম সময়ত আংশিক অথবা সম্পূৰ্ণ মাৰ্জিন পৰিমাণৰ লোকচান হ'ব পাৰে। ইয়াৰ উপৰিও হানি মূল মাৰ্জিন পৰিমাণতকৈ অধিক হ'ব পাৰে।

A. ফিউচাৰ্চ ট্ৰেডিঙত সকলো স্থিতিৰ দৈনিক বন্দৱস্তি জড়িত হ'ব পাৰে। প্ৰত্যেক দিনে খোলা স্থিতিসমূহ সূচী/ডিৰাইভেটিভ কনট্ৰেক্টৰ সমাপ্তি পৰ্যায়ৰ আধাৰত বজাৰৰ বাবে চিহ্নিত কৰা হয়। যদি কনট্ৰেক্ট আপোনাৰ বিপক্ষে যায় তেন্তে আপোনাৰ বাবে এই ধৰণৰ বঢ়া-টুটাৰ ফলস্বৰূপে হ'বলগীয়া লোকচানৰ (আনুমানিক) পৰিমাণ জমা কৰা আৱশ্যক হ'ব। এই পৰিমাণৰ আদায় নিৰ্ধাৰিত সময়লীমাৰ ভিতৰত কৰিব লাগিব, সাধাৰণতে পৰৱৰ্তী দিনত ট্ৰেডিং আৰম্ভ হোৱাৰ ঠিক আগেয়।

B. যদি আপুনি সময়সীমাৰ ভিতৰত অতিৰিক্ত পৰিমাণ জমা কৰাত বিফল হয় অথবা যদি আপোনাৰ একাউণ্টত বকেয়া ঋণ থাকে তেন্তে ষ্টক ব্ৰ'কাৰে সম্পূৰ্ণ স্থিতি বা তাৰ এটা অংশ স্থাপনাপন্ন প্ৰতিভূতিসমূহ সমাপ্তি কৰিব পাৰে। এই ক্ষেত্ৰত, আপুনি এই ধৰণৰ সমাপ্তিৰ ফলস্বৰূপে হ'বলগীয়া যি কোনো লোকচানৰ বা দায়ৱদ্ধ হ'ব।

C. নিশ্চিত বজাৰ পৰিস্থিতিসমূহৰ অধীনত এজন বিনিয়োগকাৰীৰ বাবে এনে লেনদেন সম্পাদন কৰা কঠিন বা অসম্ভৱ হ'ব পাৰে। উদাহৰণৰ বাবে, এই স্থিতি অনা-তৰলতাৰ দৰে কাৰকসমূহৰ কাৰণ হ'ব পাৰে অৰ্থাৎ যেতিয়া তাত অপৰ্যাপ্ত আক্ৰমণ বা প্ৰস্তাৱ থাকে বা মূল্য সীমা বা চাৰ্কিট ব্ৰেকাৰ আদিৰ কাৰণে ট্ৰেডিঙৰ স্থগিতকৰণ কৰা হ'ব পাৰে।

D. বজাৰত স্থিৰতা বাহাল ৰখাৰ বাবে নিম্নলিখিত পদক্ষেপ ল'ব পৰা যায়, মাৰ্জিন দৰত পৰিৱৰ্তন, নগদ মাৰ্জিন দৰ বা অন্যত পৰিৱৰ্তন। এইবোৰ নতুন মানদণ্ড বিদ্যমান অস্থিৰ সুত পৰিমাণত প্ৰযোজ্য

কৰিব পাৰে। এনে স্থিতিত আপুনি অতিৰিক্ত মাৰ্জিন দিয়া বা আপোনাৰ স্থিতি হ্ৰাস কৰাৰ আৱশ্যকতা হ'ব।

E. আপুনি ব্ৰ'কাৰৰ পৰা সেই ডিৰাইভেটিভ কনট্ৰেক্টৰ সম্পূৰ্ণ জাননী অৰ্থাৎ অনুবন্ধ নিৰ্দিষ্ট আৰু তাৰ সৈতে জড়িত দায়িত্বসমূহৰ বিষয়ে সম্পূৰ্ণ জাননী উপলব্ধ কৰাৰ দাবী কৰা উচিত যাৰ ওপৰত আপুনি ট্ৰেড কৰাৰ যোজনা তৈয়াৰ কৰিছে।

## 2.2 মুদ্ৰা বিশেষ ক্ষতিশংকাঃ

1. বিদেশী মুদ্ৰা মূল্যবৰ্গ কনট্ৰেক্টৰ লেনদেনত লাভ বা লোকচান লাগে সেইবোৰ আপোনাৰ অথবা কোনো অন্যৰ ন্যায়িক ক্ষেত্ৰত ট্ৰেড কৰা হয়, মুদ্ৰা দৰত বঢ়া-টুটাৰ ফলত প্ৰভাৱিত হ'ব, য'ত কনট্ৰেক্টৰ মুদ্ৰা মূল্যবৰ্গ অন্য মুদ্ৰাত সলনি কৰা আৱশ্যক হয়।

2. কিছুমান নিশ্চিত বজাৰ পৰিস্থিতিত আপোনাৰ বাবে এটা স্থিতি সমাপ্ত কৰা কঠিন বা অসম্ভৱ হ'ব পাৰে। এইয়া তেতিয়া হয়, উদাহৰণৰ বাবে যেতিয়া এক মুদ্ৰা অনিয়ন্ত্ৰিত হয় বা নিৰ্ধাৰিত ট্ৰেডিং বেণ্ডক বিস্তাৰিত কৰা হয়।

3. মুদ্ৰা মূল্যসমূহ অত্যাধিক অস্থিৰ হয়। মুদ্ৰাসমূহৰ মূল্যত বঢ়া-টুটা অন্য বস্তুৰ বাহিৰে নিম্নলিখিতসমূহৰ পৰা প্ৰভাৱিত হয়ঃ যোগান-চাহিদা সম্পৰ্কত পৰিৱৰ্তন, ট্ৰেড, ৰাজহ সম্বন্ধীয়, বিত্তীয়, বিনিয়ম নিয়ন্ত্ৰণ কাৰ্যক্ৰম আৰু চৰকাৰী নীতিসমূহ, বৈদেশিক ৰাজনৈতিক আৰু অৰ্থনৈতিক ঘটনাসমূহ আৰু নীতিসমূহ, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সুতৰ হাৰসমূহ আৰু মুদ্ৰাস্ফীতিত পৰিৱৰ্তন, মুদ্ৰা মূল্য হ্ৰাসকৰণ, আৰু বজাৰ স্থানৰ ভাৱনা। এই কাৰকসমূহৰ মাজৰ পৰা যিকোনো এজনকে ব্যক্তিগত পৰামৰ্শদাতাৰ দ্বাৰা নিয়ন্ত্ৰিত কৰিব পৰা নাযায় আৰু ইয়াৰ বিষয়ে কোনো আশ্বাস দিব পৰা নাযায় যে এজন পৰামৰ্শদাতাৰ পৰামৰ্শৰ ফলস্বৰূপে এক অংশগ্ৰহণকাৰী গ্ৰাহকৰ ট্ৰেডত লাভ হ'ব বা এজন গ্ৰাহকৰ এই ধৰণৰ ঘটনাসমূহৰ পৰা লোকচান হ'বলগীয়া নহয়।

## 2.3 বিকল্প ধাৰকৰ ক্ষতিশংকাঃ

1. এক বিকল্প ধাৰকৰ বাবে তুলনাত্মকভাৱে কম সময়ত বিকল্পৰ বাবে আদায় দিয়া সম্পূৰ্ণ পৰিমাণ হেৰুওৱাৰ ক্ষতিশংকা থাকে। এই ক্ষতিশংকা এক বিকল্পৰ স্বৰূপক এক ৱেষ্টিং সম্পত্তি হিচাপে প্ৰদৰ্শিত কৰে যে বৈধতা সমাপ্তি হোৱাৰ পিচত মূল্যহীন হৈ পৰে। এক বিকল্প ধাৰক যি দ্বিতীয় বজাৰত কেৱল ইয়াৰ বিকল্পই বিক্ৰী নকৰে বৰঞ্চ ইয়াৰ সমাপ্তিৰ পূৰ্বে ইয়াৰ প্ৰয়োগো নকৰে, বিকল্পত তেওঁৰ সম্পূৰ্ণ বিনিয়োগ হেৰুৱাই পেলাব। যদি অন্তৰ্নিহিত মূল্যত বিকল্পৰ সময়সীমা সমাপ্ত হোৱাৰ আগেয়ে প্ৰত্যাশিত দিশত পৰিৱৰ্তন নহয় তেন্তে বিকল্পৰ মূল্য আবৃত কৰিবৰ বাবে পৰ্যাপ্ত সীমালৈকে বিনিয়োগকাৰীয়ে তেওঁৰ বিনিয়োগক এক গুৰুত্বপূৰ্ণ অংশ বা সম্পূৰ্ণ বিনিয়োগৰ লোকচান হ'ব পাৰে।

2. এক্সচেঞ্জে প্ৰয়োগ প্ৰতিবন্ধকতা লগাব পাৰে আৰু ইয়াৰ ওচৰত নিৰ্দিষ্ট পৰিস্থিতিসমূহত নিশ্চিত সময়ৰ ওপৰত বিকল্পৰ প্ৰয়োগৰ প্ৰতিবন্ধকতা কৰাৰ সম্পূৰ্ণ অধিকাৰ থাকে।

## 2.4 বিকল্প লিখকৰ ক্ষতিশংকাঃ

1. যদি অন্তৰ্নিহিত মূল্যত বঢ়া-টুটা প্ৰত্যাশিত দিশত নহয় তেন্তে বিকল্প লিখকৰ ওপৰত পৰ্যাপ্ত পৰিমাণৰ লোকচানৰ ক্ষতিশংকা থাকে।

2. এক বিকল্প লিখক হোৱাৰ ক্ষতিশংকা সেই অন্তৰ্নিহিত হিতৰ ওপৰত অন্য বিকল্প ক্ৰয় কৰা আৰু এই ধৰণৰ এক স্প্ৰেড স্থিতি গঢ়া বা বিকল্প বজাৰ বা অন্য বজাৰত হেজিং স্থিতিসমূহৰ অন্য প্ৰকাৰৰ দ্বাৰা কম কৰিব পৰা যায়। যি কি নহওক, লিখকৰ দ্বাৰা এক স্প্ৰেড বা অন্য হেজিং স্থিতি গঢ়ি লোৱা সত্বেও

ক্ষতিশংকা গুৰুত্বপূৰ্ণ হ'ব পাৰে। এক স্প্ৰেড স্থিতি আৱশ্যকভাৱে এক সাধাৰণ ''দীৰ্ঘ'' বা ''হ্ৰস্ব'' স্থিতিৰ তুলনাত কম ক্ষতিশংকাযুক্ত নহয়।

3. সেইবোৰ লেনদেন য'ত সংযোজনত কেইবাটাও বিকল্প ক্ৰয় কৰা আৰু লিখা বা অন্তৰ্নিহিত হিতৰ ক্ৰয় কৰা বা শ্বৰ্ট ছেলিঙৰ সংযোজনত বিকল্প ক্ৰয় কৰা অথবা লিখনি অন্তৰ্ভুক্ত হয়, বিনিয়োগকাৰীৰ বাবে অতিৰিক্ত ক্ষতিশংকাৰ সৃষ্টি কৰে। যুঁটীয়া লেনদেন যেনে বিকল্প স্প্ৰেড, এক বিকল্প ক্ৰয় কৰা অথবা লিখাৰ তুলনাত অধিক জটিল হয়। আৰু ইয়াৰ ওপৰতো মনোযোগ দিয়া উচিত যে বিনিয়োগ যি কোনো ক্ষেত্ৰত, এক জটিলতা যিটো ভালদৰে বুজি লোৱা নাই, আপোনা-আপুনি এটা ক্ষতিশংকাৰ কাৰক হয়। যি কি নহওক, এই পৰামৰ্শ দিয়া নহয় যে সংযোজন কৌশলনীতিৰ ওপৰত বিবেচনা কৰা নহয়, যেনেকৈ বিকল্পত সকলো বিনিয়োগকাৰীৰ ক্ষেত্ৰত হয়, কোনো এনে ব্যক্তিৰ পৰামৰ্শ লোৱাৰ উপদেশ দিয়া হয় যি বিভিন্ন বজাৰ পৰিস্থিতিৰ অধীনত সংযোজন লেনদেনৰ ক্ষতিশংকাসমূহ আৰু সম্ভাৱ্য ৰিৱাৰ্ডৰ সম্পৰ্কত অভিজ্ঞতা আৰু জাননী আছে।

### 3. ৱায়াৰলেছ প্ৰযুক্তি/স্মাৰ্ট অৰ্ডাৰ ৰুটিং বা কোনো অন্য প্ৰযুক্তিৰ জৰিয়তে ট্ৰেডিং:

ৱায়াৰলেছ প্ৰযুক্তি/স্মাৰ্ট অৰ্ডাৰ ৰুটিং অথবা যি কোনো অন্য প্ৰযুক্তিৰ জৰিয়তে প্ৰতিভূতিসমূহৰ ট্ৰেডিঙৰ সৈতে জড়িত সুবিধাসমূহ, ক্ষতিশংকা, দায়িত্ব আৰু বাধ্যবাধকতা ব্যাখ্যা কৰিবৰ বাবে যিকোনো অতিৰিক্ত উপবন্ধসমূহ ষ্টক ব্ৰ'কাৰৰ দ্বাৰা গ্ৰাহকৰ দৃষ্টিলৈ অনা উচিত।

### 4. সাধাৰণ

**4.1** শব্দ 'গ্ৰাহক'ৰ তাৎপৰ্য আছে আৰু ইয়াত অন্তৰ্ভুক্তঃ এক ক্লায়েণ্ট, এক গ্ৰাহক বা এক বিনিয়োগকাৰী যি এক্সচেঞ্জসমূহৰ দ্বাৰা প্ৰদান কৰা প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰতিভূতি/ডিৰাইভেটিভ কনট্ৰেক্ট প্ৰাপ্তি কৰা আৰু/বা বিক্ৰী কৰাৰ উদ্দেশ্যেৰে এক ষ্টক ব্ৰ'কাৰৰ সৈতে চুক্তি কৰে।

**4.2** শব্দ 'ষ্টক ব্ৰ'কাৰ'ৰ তাৎপৰ্য আছে ইয়াত অন্তৰ্ভুক্তঃ এক ষ্টক ব্ৰ'কাৰ, এক ব্ৰ'কাৰ বা ষ্টক ব্ৰ'কাৰ যাক এক্সচেঞ্জসমূহৰ দ্বাৰা স্বীকাৰ কৰা হৈছে আৰু যি SEBIৰ পঞ্জীয়ণ প্ৰমাণপত্ৰ প্ৰাপ্তি কৰিছে।

**অনুবন্ধ-6**

**মাৰ্গদৰ্শন টোকা - বিনিয়োগকাৰীৰ বাবে এক্সচেঞ্জ (সমূহ)ত ট্ৰেডিং কৰিবৰ বাবে কৰণীয় আৰু অকৰণীয় বিষয়সমূহ**

| **আপোনাৰ দ্বাৰা ট্ৰেডিং আৰম্ভ কৰাৰ পূৰ্বে** |
|---|
| 1. সুনিশ্চিত কৰক যে আপুনি কেৱল SEBI পঞ্জীভূক্ত মধ্যৱৰ্তীৰ সৈতে তথা জৰিয়তে চুক্তি কৰে। আপুনি ষ্টক এক্সচেঞ্জ **www.exchange.com** আৰু SEBI-ৰ ৱেবছাইট **www.sebi.gov.in** ত উপলব্ধ তালিকাৰ পৰা তেওঁলোকৰ SEBI পঞ্জীভুক্ত প্ৰমাণ-পত্ৰৰ সংখ্যাৰ পৰীক্ষা কৰিব পাৰে।<br>2. সুনিশ্চিত কৰক যে আপুনি KYC ফৰ্ম সম্পূৰ্ণৰূপে পূৰাইছে আৰু KYC ফৰ্মত থালী স্থানসমূহ কাটি দিছে।<br>3. সুনিশ্চিত কৰক যে আপুনি সকলো অনিবাৰ্য নথিপত্ৰ অৰ্থাৎ ষ্টক ব্ৰ'কাৰৰ অধিকাৰ আৰু দায়িত্ব, ক্ষতিশংকা প্ৰকটকৰণ নথিপত্ৰ, নীতি আৰু প্ৰক্ৰিয়া নথিপত্ৰ পঢ়ি ল'লে।<br>4. সুনিশ্চিত কৰক যে আপুনি আপোনাৰ আৰু ষ্টক ব্ৰ'কাৰৰ মাজত সন্মত ঐচ্ছিক দফা, যদি আছে, তেন্তে পঢ়ি, বুজি ল'লে আৰু তাৰ পিছত স্বাক্ষৰ কৰিলে। মনত ৰাখিব যে আপোনাৰ ষ্টক ব্ৰ'কাৰৰ মাজত হোৱা সন্মতি অনুসৰি দফাসমূহৰ আপোনাৰ সন্মতিৰ অবিহনে সলনি কৰিব পৰা নাযাব।<br>5. ট্ৰেডিঙৰ বাবে আপোনাৰ ব্ৰ'কাৰৰ দ্বাৰা লগোৱা সকলো ব্ৰ'কাৰেজ, কমিচন, শুল্ক আৰু অন্য মূল্যসমূহ আৰু SEBI/ষ্টক এক্সচেঞ্জৰ দ্বাৰা নিৰ্দিষ্ট প্ৰাসংগিক চৰ্তসমূহ/মাৰ্গদৰ্শিকাৰ বিষয়ে স্পষ্ট জাননী প্ৰাপ্তি কৰক।<br>6. ষ্টক ব্ৰ'কাৰৰ পৰা আপোনাৰ দ্বাৰা সম্পাদন কৰা সকলো নথিপত্ৰৰ এটা প্ৰতিলিপি বিনামূলীয়াকৈ প্ৰাপ্তি কৰক।<br>7. যদি আপুনি আপোনাৰ বেংক আৰু ডিমেট একাউন্ট পৰিচালনাৰ বাবে, ষ্টক ব্ৰ'কাৰক প্ৰাধিকৃত কৰি তেওঁৰ পক্ষত পাৱাৰ অফ এটৰ্নী/ন্যায়বাদী (POA) কাৰ্যকৰী কৰাৰ ইচ্ছা কৰে তেন্তে অনুগ্ৰহ কৰি এই সম্পৰ্কত SEBI/এক্সচেঞ্জৰ দ্বাৰা জাৰি কৰা মাৰ্গদৰ্শিকা চাওক। |
| **লেনদেন আৰু বন্দৰস্তি** |
| ৪. ষ্টক ব্ৰ'কাৰে ইলেক্ট্ৰ'নিক কনট্ৰেক্ট নোট (ECN) জাৰি কৰিব পাৰে যদি বিশেষভাৱে লিখিতত আপোনাৰ দ্বাৰা প্ৰাধিকৃত কৰা হয়। ইয়াৰ বাবে আপুনি ষ্টক ব্ৰ'কাৰক আপোনাৰ ই-মেইল ID প্ৰদান কৰিব লাগিব। যদি আপুনি কম্পিউটাৰৰ জাননী নাৰাখে তেন্তে ECN বাছি নল'ব।<br>9. কোনো ব্যক্তিক আপোনাৰ ইন্টাৰনেট ট্ৰেডিং একাউন্টৰ পাছৱৰ্ডৰ বিষয়ে জানিবলৈ নিদিব।<br>10. ষ্টক ব্ৰ'কাৰক নগদ ধন হিচাপে আদায় নিদিব।<br>11. ষ্টক ব্ৰ'কাৰৰ পক্ষত একাউন্ট পেয়ী চে'কৰ দ্বাৰা আদায় দিয়ক। চাব ব্ৰ'কাৰৰ নামত চে'ক জাৰি নকৰিব। সুনিশ্চিত কৰক যে আপোনাৰ ওচৰত তাৰিখ, স্ক্ৰিপ, পৰিমাণ, কোন বেংক/ডিমেট একাউন্টত বা কোন বেংক/ডিমেট একাউন্টৰ পৰা এই ধন বা প্ৰতিভূতিসমূহ জমা কৰা হয়, এইটো উল্লেখ কৰি ষ্টক ব্ৰ'কাৰৰ সৈতে আপোনাৰ আদায়/প্ৰতিভূতিসমূহৰ জমাৰ লেখ্য প্ৰমাণ থাকে।<br>12. মনত ৰাখিব যে ট্ৰেড সত্য নিৰূপণৰ সুবিধা ষ্টক এক্সচেঞ্জসমূহৰ ৱেবছাইটত উপলব্ধ, য'ত কনট্ৰেক্ট নোটত উল্লিখিত ট্ৰেডৰ বিৱৰণৰ সত্যাৰ্পিত কৰিব পৰা যায়। য'ত ৱেবছাইটত দিয়া ট্ৰেড বিৱৰণ কনট্ৰেক্ট নোটত উল্লিখিত বিৱৰণৰ সৈতে নিমিলে তেন্তে ততালিকে সুসংগত ষ্টক এক্সচেঞ্জৰ বিনিয়োগকাৰী অভিযোগ প্ৰশাখাত যোগাযোগ কৰক।<br>13. যদি আপুনি একাউন্টৰ পৰিচালনা কৰা, ধন আদায় দিয়া বা প্ৰতিভূতিসমূহৰ ডেলিভাৰী কৰা (বিষয় অনুসৰি)ৰ বাবে বিশেষ অধিকাৰ দিয়ে, তেন্তে আপোনাক এক্সচেঞ্জৰ পৰা আদায়ৰ ৰচিদ প্ৰাপ্তি হোৱাৰ পৰা এটা কাৰ্যকৰী দিনৰ ভিতৰত উপলব্ধ কৰাব পৰা নাযাব। এই ধৰণে ষ্টক ব্ৰ'কাৰে আপোনাৰ বাবে নিম্নলিখিত স্থিতিসমূহৰ অধীন একাউন্টৰ পৰিচালনা কৰিব:<br>a) আপোনাৰ দ্বাৰা দিয়া এনে প্ৰাধিকৰণ, কেৱল আপোনাৰ দ্বাৰা স্বাক্ষৰিত হ'ব আৰু ইয়াত সেই দফা অন্তৰ্ভুক্ত হ'ব যাক আপুনি যিকোনো সময়তে প্ৰত্যাহাৰ কৰিব পাৰে।<br>b) পুঁজিসমূহ আৰু প্ৰতিভূতিসমূহৰ প্ৰকৃত বন্দৰস্তি আপোনাৰ প্ৰাথমিকতাৰ ভিত্তিত এক কেলেণ্ডাৰ ত্ৰৈমাসিক বা মাহে অতি কমেও এবাৰ ষ্টক ব্ৰ'কাৰৰ দ্বাৰা কৰা হ'ব। একাউন্টৰ বন্দৰস্তিৰ সময়ত ষ্টক ব্ৰ'কাৰে আপোনাক |

পুঁজিসমূহৰ গ্ৰাহক লেজাৰৰ পৰা সাৰাংশ আৰু পুঁজিসমূহ তথা প্ৰতিভূতিসমূহৰ সকলো প্ৰাপ্তি/ডেলিভাৰী প্ৰদৰ্শিত কৰা প্ৰতিভূতিসমূহৰ ৰেজিষ্টাৰৰ পৰা সাৰাংশ অন্তৰ্ভুক্ত কৰি 'একাউন্ট খতিয়ান' পঠিয়াব। এই খতিয়ানত পুঁজিসমূহ আৰু প্ৰতিভূতিসমূহৰ ধাৰণ আৰু বন্ধকত থোৱা শ্বেয়াৰৰ সবিশেষৰ উল্লেখ থাকিব।

c) বন্দৰস্তিৰ তাৰিখত ষ্টক ব্ৰ'কাৰে বকেয়া বাধ্যবাধকতাৰ দিশত প্ৰয়োজনীয় প্ৰতিভূতিসমূহ/পুঁজিসমূহ বাহাল ৰাখিব পাৰে আৰু এক্সচেঞ্জসমূহৰ দ্বাৰা নিৰ্দিষ্ট উপায়েৰে গণনা কৰি পৰৱৰ্তী 5 ট্ৰেডিং দিনৰ বাবে ডিৰাইভেটিভ মাৰ্জিন বাধ্যবাধকতা পূৰণ কৰিবৰ বাবে আৱশ্যকীয়া পুঁজিসমূহো ৰাখিব পাৰে। নগদ বজাৰত লেনদেনৰ ক্ষেত্ৰত ষ্টক ব্ৰ'কাৰে বন্দৰস্তিৰ তাৰিখত আৰু পৰৱৰ্তী দিনৰ লেনদেনৰ বাবে গ্ৰাহকৰ ওচৰত অৱশিষ্ট ধন আৰু প্ৰতিভূতিসমূহৰ বাধ্যবাধকতাৰ সম্পূৰ্ণ আদায় বাহাল ৰাখিব পাৰে, সেই নগদ বজাৰত এই ধৰণৰ বন্দৰস্তিৰ দিনত কৰা লেনদেনসমূহৰ মূল্যৰ সীমালৈকে পুঁজিসমূহ/প্ৰতিভূতিসমূহ/মাৰ্জিন বাহাল ৰাখিব পাৰে।

d) বিষয় অনুসৰি আপোনাক পুঁজিসমূহ/প্ৰতিভূতিসমূহ বা বিৱৰণৰ প্ৰাপ্তিৰ তাৰিখৰ পৰা অধিকতৰ 7 (সাত) কাৰ্যকৰী দিনৰ ভিতৰত একাউন্ট বা বন্দৰস্তি বিৱৰণৰ পৰা উৎপন্ন হ'বলগীয়া যিকোনো বিবাদৰ বিষয়ে লিখিতত ষ্টক ব্ৰ'কাৰৰ দৃষ্টিলৈ অনা আৱশ্যক হয়। বিবাদৰ ক্ষেত্ৰত বিলম্ব নকৰাকৈ সুসংগত ষ্টক এক্সচেঞ্জসমূহৰ বিনিয়োগকাৰী অভিযোগ প্ৰশাখাৰ ক্ষেত্ৰত লিখিত হিচাপে অৱগত কৰক।

14. যদি আপুনি একাউন্ট পৰিচালিত কৰাৰ বিকল্প বাছি লোৱা নাই আৰু ধন/প্ৰতিভূতিসমূহৰ আদায় এক্সচেঞ্জসমূহৰ পৰা আদায় প্ৰাপ্তি হোৱাৰ পৰৱৰ্তী কাৰ্যকৰী দিনৰ প্ৰাপ্তি হোৱা নাই, তেন্তে তেনে বিষয়ৰ ক্ষেত্ৰত ষ্টক ব্ৰ'কাৰৰ সৈতে যোগাযোগ কৰক। যিকোনো বিবাদৰ ক্ষেত্ৰত সুনিশ্চিত কৰক যে আপুনি ততালিকে সুসংগত ষ্টক এক্সচেঞ্জৰ বিনিয়োগকাৰী অভিযোগ প্ৰশাখাত লিখিত হিচাপে গোচৰ তৰিছে।
15. ষ্টক এক্সচেঞ্জসমূহৰ পৰা দিনটোৰ লেনদেনৰ অন্তত, SMS বা ই-মেইলৰ জৰিয়তে ট্ৰেড দৃঢ় প্ৰতিপন্নতা সজাগতা/লেনদেনৰ বিৱৰণ প্ৰাপ্তিৰ বাবে অনুগ্ৰহ কৰি ষ্টক ব্ৰ'কাৰৰ ওচৰত আপোনাৰ ম'বাইল নম্বৰ আৰু ই-মেইল আইডি পঞ্জীয়ন কৰাওক।

**ট্ৰেডিং সদস্যপদৰ সমাপ্তিৰ ক্ষেত্ৰত**

16. যদি এজন ষ্টক ব্ৰ'কাৰে তেওঁৰ সদস্যপদ সমৰ্পণ কৰে, তেওঁক সদস্যপদৰ পৰা বহিষ্কাৰ কৰা হয় বা গৰহাজিৰ (ডিফ'ল্টাৰ) বুলি ঘোষণা কৰা হয়; তেন্তে ষ্টক এক্সচেঞ্জৰ বিনিয়োগকাৰীৰ পৰা কেৱল ষ্টক এক্সচেঞ্জসমূহৰ ''ট্ৰেডিং ছিষ্টেম সম্পাদিত লেনদেন''ৰ সম্পকীয় দাবী আমন্ত্ৰিত কৰি এক ৰাজহুৱা জাননী জাৰি কৰে। সুনিশ্চিত কৰক যে আপুনি নিৰ্ধাৰিত ম্যাদৰ ভিতৰত আৰু সমৰ্থিত নথিপত্ৰৰ সৈতে সুসংগত ষ্টক এক্সচেঞ্জসমূহৰ সমকক্ষ এটা দাবী দাখিল কৰে।
17. ষ্টক ব্ৰ'কাৰৰ সৈতে জমা ধন আৰু/বা প্ৰতিভূতিসমূহ অনুসৰি সুৰক্ষাৰ বিষয়ে জানক, বিশদভাৱে এজন ডিফল্টাৰ বা ষ্টক ব্ৰ'কাৰ দেউলীয়াৰ ক্ষেত্ৰত আৰু সেই পৰ্যন্ত, য'লৈকে আপুনি ধন আৰু/বা প্ৰতিভূতিসমূহ উচল কৰিব পাৰে, সেই সুসংগত ষ্টক এক্সচেঞ্জৰ উপবিধি আৰু বিনিয়মৰ দ্বাৰা পৰিচালিত হ'ব পাৰে য'ত ট্ৰেড সম্পাদন কৰা হৈছিল আৰু য'ত সময়ে সময়ে কাৰ্যকৰী বিনিয়োগকাৰীৰ সুৰক্ষিত পুঁজিৰ যোজনা প্ৰযোজ্য হয়।

**বিবাদ/অভিযোগ**

18. অনুগ্ৰহ কৰি মনত ৰাখিব মধ্যস্থতাৰ প্ৰক্ৰিয়া, ষ্টক ব্ৰ'কাৰৰ বিপক্ষে দণ্ডণীয় কাৰ্যকৰিতা আৰু ষ্টক ব্ৰ'কাৰৰ বিপক্ষে বিনিয়োগকাৰীৰ অভিযোগৰ বিৱৰণ সম্পৰ্কীয় ষ্টক এক্সচেঞ্জৰ বেৱছাইটত প্ৰদৰ্শিত কৰা হয়।
19. যদি আপোনাৰ বিষয়/সমস্যা/অভিযোগৰ ক্ষেত্ৰত সংশ্লিষ্ট ষ্টক ব্ৰ'কাৰ/চাব ব্ৰ'কাৰৰ দ্বাৰা কৰা নহয় তেন্তে আপুনি এই বিষয়ৰ সংশ্লিষ্ট ষ্টক এক্সচেঞ্জৰ সমকক্ষলৈ লৈ যাব পাৰে। যদি আপুনি আপোনাৰ অভিযোগৰ মীমাংসাত সন্তুষ্ট নহয় তেন্তে আপুনি এই বিষয়টো SEBIলৈ আগুৱাই দিব পাৰে।
20. মনত ৰাখিব যে SEBI-ৰ দ্বাৰা সকলো ষ্টক ব্ৰ'কাৰ/চাব ব্ৰ'কাৰৰ বাবে বিশেষভাৱে অভিযোগ দাখিল কৰাৰ উদ্দেশ্যেৰে অভিযোগ মীমাংসা বিভাগ/পৰিপালন বিষয়াৰ ই-মেইল ID উল্লেখ কৰাটো বাধ্যতামূলক কৰা হ'ল।